চান্দমামা

জানুৱাৰি ১৯৯৭

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়।

বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/110as

जिनके सपने बड़े हों, उनकी जीन्स कभी छोटी नहीं पड़नी चाहिये.

जब आपके जूनियर के सपने बड़े हैं, तो उसकी जीन्स छोटी क्यूं पड़े ? पेश हैं रफ़ एण्ड टफ़ जूनियर. यानी अरविंद का मज़बूत डेनिम कपड़ा (132 सें.मी. तक के कद के लिये), लेबल और रिवेट्स. उसकी लंबाई के हिसाब से गुंजाइश छोड़कर जीन्स सिलवाइये, फिर देखिये उसके सपनों की उड़ान !

Trikaya Grey AML. 6.96 HIN

RUF AND TUF™

A QUALITY PRODUCT FROM ARVIND MILLS

JUNIOR

सिलाई-के-लिये-तैयार जीन्स



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিঃ ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

Meet your cricket hero today!
World Cup-96 Achievers Collection
FREE
Cricketer Card With Every Pack
Rs.13.50 only
Rasna
SPREAD MAKER
Delicious
Economical
Easy to make
Hurry kids! Offer open till 30th April, 1997.
Hey, all you cricketing kids!
The excitement begins when you open your favourite Rasna Spread Maker pack. No. We are not just talking about the 500g of delicious spread that your mama can make with it. This time, there's something very special. Just for you. Each pack of your favourite Rasna Spread Maker now has **one exciting Cricketer Card** for you. And that too, FOR FREE!!
The bonus, of course is that you can have all the delicious spread that you really love! So liven up that sandwich, chapati or puri. With Rasna Spread Maker.
Packs also available without this offer
Mudra:EAMR:9610

A POLIO-FREE INDIA!

The goal gets nearer!
Take the next step on
National Immunisation Days:

PULSE POLIO IMMUNIZATION
DECEMBER 7, 1996
JANUARY 18, 1997

December 7, 1996
January 18, 1997

CALLING PARENTS!

Even if

* the child is indisposed or has diarrhoea

* the child had been given polio drops earlier

TO ENSURE CENT PER CENT PROTECTION

Remember to

Take your children (under 5) to the nearest immunisation booth / centre to receive **TWO ADDITIONAL DROPS OF THE ORAL POLIO VACCINE on National Immunisation Days**

The future of the country depends on the future of our healthy children

POLIOPLUS

LET US STRIVE TOWARDS CREATING A POLIO-FREE INDIA BY 2000 A.D.

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

শিশু-অধিকাৰ

আকৌ এবছৰৰ বাবে আমাৰ শিশু-দিৱস আহিল আৰু গ'ল। যথাৰীতি শিশু-দিৱসত নানাবিধৰ প্ৰতিযোগিতা, বন-ভোজ বা আৰু অন্য আমোদ-প্ৰমোদো অনুষ্ঠিত হ'ল। কিন্তু প্ৰশ্ন হ'ল—বছৰটো তো তিনিশ পঁয়ষষ্ঠিদিনীয়া, শিশুসকলো তিনিশ পঁয়ষষ্ঠি দিনেই থাকে—থাকিব। তেনেহ'লেনো—সিহঁতক সুখী কৰিবলৈ কেৱল এদিনৰ বাবে এইবোৰ কিয় অনুষ্ঠিত হয়?

ছয় কি সাত বছৰৰ আগতে, কোনোৱা এজনৰ উদ্যোগেৰে শিশুইতৰ বিষয়ে হঠাৎ ৰাষ্ট্ৰসংঘই এক বিশেষ অধিবেশন আহ্বান কৰি ৰাষ্ট্ৰসংঘৰ সদস্য দেশবিলাকক অনুৰোধ কৰিছিল নিজ নিজ দেশত 'শিশু-অধিকাৰৰ আইন' ৰচি সেই আইন অনুসাৰে শিশুৰ অধিকাৰ সাব্যস্ত কৰিবলৈ। কিন্তু কিমানখন দেশে যে সেই 'শিশু-আইন' যুগুতালে, বা কি কৰিলে—তাঁৰ হিচাপ নল'লে।

এই বিষয়ে—ৰাষ্ট্ৰসংঘভুক্ত অন্যতম দেশ ভাৰতৰ অৱস্থানো কি? শিশুসকলৰ অধিকাৰৰ মাজত দুটি অনন্য অধিকাৰ হ'ল—শিক্ষাৰ অধিকাৰ, আৰু বাধ্যতামূলক শ্ৰমৰপৰা ৰেহাই পোৱাৰ অধিকাৰ। অনা-চৰকাৰী সংবাদ-সূত্ৰ মতে: ভাৰতত প্ৰায় পাঁচ কোটিমান শিশু বিদ্যালয় খায়নে কাণত পিন্ধে—নাজানে। সিহঁতৰ এভাগে টলৌ টলৌকৈ শৈশৱ হেৰুৱায়, আনভাগে বাধ্যতামূলক শ্ৰমত নিয়োজিত হয়, কিছুমানে আওবটীয়া হৈ অসামাজিক হৈ উঠে।

যদি ভাৰতৰ নিচিনা বৃহৎ দেশ এখনতে শিশু-অধিকাৰৰ এই অৱস্থা, পৃথিৱীজোৰা যে কি—তাৰ হিচাপ পোৱা প্ৰকৃততেই টান। কথাত বোলে—টান মুখ দীঘল ফুঁক, তেহে দেখিবা জুইৰ মুখ। কেৱল বাঘাম্বৰ পিন্ধি কাপে-কাকতে লিখিলেই শিশু-অধিকাৰ সংৰক্ষিত হ'বনে?

বছৰ : ২১   জানুৱাৰি ১৯৯৭   সংখ্যা : ১০

খনে ৬·০০ টকা :: বছৰেকীয়া বৰঙণি ৭২·০০ টকা





Rs. 30/-



Rs. 40/-



Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

পৃথিৱীৰ খিৰিকীৰে

ন'বেল শান্তি-বঁটা

টিমোৰ হ'ল ইন্দ'নেজিয়াৰ সমীপস্থ এটি ক্ষুদ্ৰ দ্বীপ। এই দ্বীপ এতিয়াও অশান্ত। এই দ্বীপবাসীক লাগে স্বতন্ত্ৰতা-স্বাধীনতা। এই কাৰণে এই দ্বীপবাসীয়ে বহুকাল ধৰি সংগ্ৰাম কৰি আছে; কিন্তু সম্পূৰ্ণ অহিংস উপায়েৰে। এই অহিংস-সংগ্ৰামৰ দুগৰাকী নেতালৈ এই বছৰৰ ন'বেল শান্তি-বঁটা প্ৰদান কৰাৰ ঘোষণা কৰা হৈছে। যদিও টিমোৰৰ অন্যতম নেতা কলিন্স ফিলিপ বেলো-ই প্ৰবাস-জীৱন যাপিছে, তথাপি তেওঁ এই দ্বীপৰ স্বাধীনতাৰ বাবে নিৰন্তৰ সংগ্ৰাম চলাই আছে। জোচ ৰ্যামোছ হোৰ্তো হ'ল পূৰ্ব-টিমোৰৰ সৰ্বজনমান্য নেতা। এই উভয় নেতাই সন্মিলিতভাবে ন'বেল শান্তি-বঁটা প্ৰাপ্ত হ'ব।

প্ৰায় পাঁচ শতিকাৰপৰা পূৰ্ব-টিমোৰ দ্বীপ পৰ্টুগালৰ অধীন। দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত পৃথিৱীৰপৰা উপনিবেশবাদে বিদায় ল'বলৈ ধৰিলে, আৰু তেতিয়াৰেপৰাই টিমোৰেও উপনিবেশবাদৰ শৃংখল ছিঙিবলৈ আন্দোলন আৰম্ভ কৰিলে। ১৯৭৫ চনত এই আন্দোলন তীব্ৰ হৈ উঠিছিল, আৰু তেতিয়া কোনো ধৰণৰ পৰিবৰ্তনমূলক ব্যৱস্থা নকৰাকৈয়েই পৰ্টুগিজ শাসকসকলে অকাৎ দ্বীপ এৰি দেশলৈ উভতি যাবলৈ যো-জা কৰিছিল। আৰু তেতিয়া স্বাধীনতা-সংগ্ৰামৰ অন্যতম বাঁওপন্থী 'ফ্ৰিটেলিন' পাৰ্টিয়ে ৰাজধানী দিলীপৰা টিমোৰৰ স্বাধীনতাৰ ঘোষণা কৰিলে। কিন্তু ইন্দ'নেজিয়াই টিমোৰৰ স্বাধীনতাৰ বিৰোধিতা কৰিলে, টিমোৰৰ স্বাধীনতাৰ ঘোষণালৈ কোনো স্বীকৃতি নিদিলে, অধিকন্তু টিমোৰৰ স্বাধীনতা আন্দোলনক দমন কৰাৰ বাবে ইন্দ'নেজিয়াই সৈন্যবাহিনী প্ৰেৰণ কৰিলে। তেতিয়া যি সংগ্ৰাম হৈছিল, সেই সংগ্ৰামত টিমোৰৰ প্ৰায় ২,০০,০০০ মানুহৰ মৃত্যু হ'ল। ১৯৭৬ চনত ইন্দ'নেজিয়াই টিমোৰক ইন্দ'নেজিয়াৰ ২৭তম ৰাজ্যৰূপে ঘোষণা কৰিলে।

তথাপি, ৰাষ্ট্ৰসংঘই এতিয়ালৈকো পূৰ্ব-টিমোৰৰ ইন্দ'নেজিয়াৰ ৰাজ্যৰূপে স্বীকৃতি দিয়া নাই।

১৯৯১ চনৰ নভেম্বৰ মাহৰ ১২ তাৰিখে টিমোৰৰ ৰাজধানী দিলীত মানৱাধিকাৰ-সম্পৰ্কিত এগৰাকী কৰ্মকৰ্তাৰ মৃত্যু-উপলক্ষ্যে শোকসভাৰ আয়োজন কৰা হৈছিল। এই শোকসভাত প্ৰায় তিনি হাজাৰ মানুহে অংশগ্ৰহণ কৰিছিল। আৰু —এই শোকসভাত সন্মিলিত সেই মানুহসকলৰ ওপৰত ইন্দ'নেজীয় সৈন্য- বাহিনীয়ে গুলিয়ালে, যাৰ ফলত প্ৰায়ভাগ মানুহেই মৰিল। তাৰ পাছত ফ্ৰিটেলিন-নেতা ছনানা গুস্মাৱোক কাৰাগাৰলৈ নিক্ষেপ কৰা হ'ল, আৰু তেওঁক এতিয়ালৈকো মুক্তি দিয়া হোৱা নাই।

ইন্দ'নেজিয়া হ'ল পৃথিৱীৰ সৰ্বাতোকৈ বৃহৎ মুছলিম-দেশ। পূৰ্ব-টিমোৰৰ প্ৰায় আশীভাগ অধিবাসী হ'ল খৃষ্টান। ১৯৮৬ চনত বিছপ বেলো তালৈ গ'ল। তেওঁ টিমোৰৰ গণ-আন্দোলনলৈ সমৰ্থন জ্ঞাপন কৰিলে। তেওঁ ৰাষ্ট্ৰসংঘলৈ এই লত্ৰ লিখিলে যে ইন্দ'নেজিয়াই টিমোৰৰপৰা সৈন্য প্ৰত্যাহাৰ কৰিলেহে টিমোৰৰ অধিবাসীসকলৰ প্ৰকৃত অভিপ্ৰায় জনা যাব। এই বিষয়ত ৰাষ্ট্ৰসংঘৰপৰা উত্তৰ পোৱাৰ আগতেই বিছপ বেলোৰ মতামতৰ সমৰ্থকাৰীসকলক ইন্দ'নেজীয়-কৰ্তৃপক্ষই কাৰাগাৰলৈ নিক্ষেপ কৰি থাকিল। আৰু তেতিয়া ৰ্যামোছ হোৰ্তাদেৱে তেওঁৰ অহিংস সংগ্ৰাম তীব্ৰ কৰি তুলিলে—শান্তিপূৰ্ণ পথেৰে। তেওঁৰ, আৰু বিছপ বেলোৰ স্বাৰ্থহীন কিন্তু দ্ব্যৰ্থহীন শান্তিপূৰ্ণ অহিংস সংগ্ৰামৰ গৌৰৱৰ কাৰণেই এই বছৰৰ ন'বেল শান্তি-বঁটা তেওঁলোকলৈ অৰ্পণ কৰা হ'ল।

মানৱৰ সৰ্বশ্ৰেষ্ঠ বন্ধন

চন্দনপুৰ ৰাজ্যখন আছিল আয়তনত ক্ষুদ্ৰ, কিন্তু চন্দনপুৰৰ ৰজা কমলচন্দ্ৰৰ হৃদয় আছিল বৃহৎ আৰু মহৎ। ৰজা কমলে দেশৰ প্ৰকৃত জ্ঞানী-গুণীসকললৈ, বিশেষকৈ কবিসকললৈ তেওঁৰ নম্ৰতা সদায় প্ৰকাশ কৰিছিল।

আৰু তেওঁলোকলৈ যথোচিত সন্মানৰে সৈতে বিভিন্নভাবে সহায়তাৰ হস্তও প্ৰসাৰিত কৰিছিল।

ৰজা কমলচন্দ্ৰৰ ৰাজত্বকালত চন্দনপুৰ ৰাজ্যৰ প্ৰজাবৰ্গ আছিল সুখী,সমৃদ্ধ আৰু সং মনোবৃত্তিসম্পন্ন প্ৰকৃত সমাজ তথা দেশ-সচেতন। চুবৰীয়া ৰাজ্যৰ শাসকবৰ্গই চন্দনপুৰ ৰাজ্যৰ এই সুসমৃদ্ধ অৱস্থালৈ ঈৰ্ষাৰ চকুৰে চাইছিল।

যুৱ-কবি মুৰলীনাথ আছিল ৰজা কমলৰ অতি প্ৰিয়পাত্ৰ। কবি মুৰলীনাথে তেওঁৰ কবিতাৰে আৰু লগতে বাক্‌চাতুৰ্য্যেৰেও ৰজাক মোহিত কৰিছিল, আৰু এই বাবে ৰাজ সভাৰ অন্য অন্য কবিসকল আছিল মুৰলীনাথৰ প্ৰতি ঈৰ্ষান্বিত।

যুৱ-কবি মুৰলীনাথে গাঁৱলীয়া ছোৱালী মানিতাক বিয়া কৰাইছিল। মানিতা আছিল মধুপুৰ গাঁৱৰ নন্দ পণ্ডিতৰ একমাত্ৰ ছোৱালী।

কিন্তু বিয়াৰ পাছত মানিতাৰ জীৱন— তাই ভবা মতে সুখৰ নহ'ল। মুৰলীনাথৰ কবিতা ভালেই, তায়ো ভালেই পায়, কিন্তু মুৰলীৰ মেজাজৰ উগ্ৰতাৰ বিষয়ে কোনোধৰণৰ মন্তব্য মুৰলীনাথে সহিব নোৱাৰে। এই অসহিষ্ণু মনোভাৱৰ শলাগ কেনেকৈ ল'ব মানিতাই ?

গণেশ শৰ্মা

এইদৰে দিন যায়, মাহ পাৰ হয়, বছৰ বাগৰে। এদিন নন্দ পণ্ডিত—মানিতাৰ দেউতাক — তেওঁলোকৰ পৰিবাৰিক বছৰেকীয়া ধৰ্ম্মীয় উৎসৱত জোঁৱাইক নিমন্ত্ৰণ কৰিবলৈ আহিছিল। জোঁৱায়েক কবি মুৰলীনাথে নিমন্ত্ৰণ গ্ৰহণ কৰিলে আৰু শাহুৰেক নন্দ পণ্ডিতক ক'লে, "মানিতাক আপুনি লগত লৈ যাওক, মই ঠিক উছৰৰ দিনা পামগৈ।"

মানিতাই আনন্দৰে সৈতে তাইৰ দেউতাকৰ সৈতে গুচি গ'ল আৰু মুৰলীনাথ গ'ল ৰাজদৰবাৰলৈ।



ৰাজ-দৰবাৰত তেতিয়া কবিতা-পাঠৰ কাৰ্য্যক্ৰম চলি আছিল। অন্যান্য কবিৰ কবিতা-পাঠ শেষ হোৱাৰ পাছত কবি মুৰলীনাথে তেওঁৰ প্ৰকৃতিৰ বৰ্ণনা-বিষয়ক কবিতা-পাঠ শেষ কৰিবলৈ ধৰিলে। হঠাৎ ৰজা কমলে কবি মুৰলীক হাত দাঙি কবিতা-পাঠৰপৰা ৰখালে আৰু ক'লে, "হে যুৱাকবি, আপুনি সদায়েই অতি উত্তম উত্তম প্ৰকৃতিক বৰ্ণনা-বিষয়ক কবিতা পাঠ কৰে। কিন্তু মৰ্ত্যভূমিত ঈশ্বৰৰ প্ৰতিনিধি ৰজাৰ বিষয়ে—যি ৰজাই সকলো প্ৰজাৰ সুখ-দুখত সমভাৱে অংশ গ্ৰহণ কৰে—সেই ৰজাৰ সম্পৰ্কে কিন্তু নিৰৱ। আনকি সেই ৰজাৰ নামটো প্ৰচ্ছন্নভাৱেও আপোনাৰ কবিতাত পোৱা নাযায়। ইমান উপেক্ষা প্ৰদৰ্শনৰ কিবা সবিশেষ কাৰণ আছেনে ?"

ৰজাৰপৰা এনেহেন অস্বস্তিকৰ প্ৰশ্ন কেতিয়াবা শুনিব বুলি কবি মুৰলীনাথ ভৱাই নাছিল কেতিয়াও। মুৰলীনাথ ম্ৰিয়মাণ হৈ পৰিল, আৰু ৰজাৰ এই প্ৰশ্নৰ কোনো উত্তৰ তৎক্ষণাৎ দিব নোৱাৰিলে।

মুৰলীনাথে যে ঘাইকৈ ধনাৰ্জনৰ কাৰণে কবিতা ৰচিছিল, মুৰলীয়ে জানে। আৰু—ৰজাই ভাল পায় যাক, টেঁকী-পথালি নালাগে যে তাক—বচনষাৰ মুৰলীনাথেও নজনা নহয়। জানে। পিছে—ৰজা এগৰাকীয়ে যিমানেই যি নকৰক, সেই কথা বিশেষকৈ ৰজাৰ আত্ম-অহংকাৰৰ কথা, গতিকে ৰজাৰ অহংকাৰত সুৰগা চৰাবৰ কোনো আৱশ্যকতা কবি

মুৰলীনাথে বোধ কৰা নাছিল।

মুৰলীনাথে যেতিয়া ৰজা কমলৰ প্ৰশ্নৰ উত্তৰ নিদিলে, তেতিয়া বয়োবৃদ্ধ কবি গঙ্গাভট্টই কিঞ্চিত ব্যংগমিশ্ৰিত কণ্ঠেৰে ধীৰ ভাবে ৰজাক ক'লে, "মহাৰাজ, আপোনাৰ এই সৰলৰো সৰল প্ৰশ্নটিৰ উত্তৰ আমাৰ মুৰলীনাথে দিব নোৱাৰিলে যে—তাৰ কাৰণ আপেনাৰ প্ৰতি—অৰ্থাৎ দেশৰ ৰজাৰ প্ৰতি উদাসীনতাৰ বাহিৰে আকনো কি হ'ব পাৰে?"

বয়োবৃদ্ধ কবি গঙ্গাভট্টৰ কথাত ৰজা কমল কিছু উত্তেজিত হৈ মুৰলীনাথলৈ চাই কৈ উঠিল, "যুৱ-কবি মুৰলীনাথ, মন নহ'লে ছন—কোনেও কৰিবও নোৱাৰে, আপোনাৰো কৰাৰ দৰ্কাৰ নাই আপুনি আপোনাৰ মতেই চলি থাকক, যেনেকৈ আছিল তেনেকৈয়েই থাকক। নিতৌ তিনি সাজকৈ আহাৰাদি পাই থাকিব। নিজৰ মতে নিজে কবিতা ৰচি থাকিব।"

ৰজাৰ কথাখিনিয়ে যেনিবা বিষাক্ত হুলে বিন্ধাদি বিন্ধিলে মুৰলীনাথক। মুৰলীনাথ তলমূৰ হ'ল, আৰু কেইমুহূৰ্তমানৰ পাছত ৰাজ-দৰবাৰ এৰি গুচি গ'ল।

মুৰলীনাথ ঘৰলৈ নগ'ল। মনৰ খেদতে মুৰলীয়ে উদ্দেশ্যবিহীনভাবে বাট বুলি থাকিল। আৰু এসময়ত ভাগৰ লাগি এজোপা গছৰ তলত বহি আকাশ-পাতাল ভাবি থাকিল। মানসিকভাবে মুৰলীনাথ অতিপাত ক্ষুব্ধ আহত হৈ পৰিছিল।

লাহে লাহে মুৰলীনাথৰ মনত আহাৰ-নিদ্ৰালৈকো অনিচ্ছা উপজিল। মুৰলী খীণাই গ'ল, নিশকতীয়া হৈ পৰিল। ৰজাৰপৰা পোৱা সেই অপমান তেওঁ একোপধ্যেই পাহৰিব নোৱৰা হ'ল।

এদিন মুৰলীনাথে ঘৰৰপৰা ওলাই গৈ গৈ—ক'ৰ নোৱৰাকৈয়েই এখন ফলৰ বাগিচাৰ কাষত ৰ'লগৈ। বতৰ তেতিয়া বৰ বিনন্দীয়া। ৰিৰি ৰিৰিবা বলি আছিল, চৰাইবোৰৰ মিঠা মিঠা কূজন শ্ৰুত হৈছিল, আৰু সৰু সুঁতিয়েদি ফটিক-পানীয়ে গতি কৰিছিল কুলু কুলুকৈ গীতধ্বনিৰে......।

এই জিম পৰা অথচ জীৱন্ত প্ৰকৃতিক শোভাময় পৰিবেশত মুৰলীনাথে যেনিবা

এক নতুন জীৱনৰ স্পন্দন অনুভৱ কৰি থাকিল। ৰজাৰপৰা পোৱা অপমানৰ বেদনাও যেনিবা জামৰি আহিল। কিবা এক নতুন উছাহৰে মুৰলীনাথ কিঞ্চিত উচ্ছ্বসিত হৈ উঠিল।

আৰু ঠিক এনেতে এজন যুৱক তালৈ আহিল, আৰু আহিয়েই সেই যুৱকে মুৰলীনাথক প্ৰণাম কৰিলে।

বিস্মিত মুৰলীনাথে আগন্তুক যুৱকক সুধিলে, "অ—আপুনি—তুমিনো কোন?"

আগন্তুক যুৱকে মৃদুকৈ হাঁহিৰে ক'লে, "মোক মাইজে বিষ্ণুভট্ট বুলি মাতে। আমাৰ ঘৰ— মানিতাদেৱীৰ পিতৃগৃহৰ প্ৰায় কাষতেই আমি তেওঁলোকৰে চুবুৰীয়া। মানিতাদেৱীৰ বিবাহৰ সময়ত মই আপোনাক দেখা পাইছিলোঁ, আৰু আপুনি যে এগৰাকী মহান কবি—তাকো জানিছিলোঁ।"

মুৰলীনাথে এই কথাৰ উত্তৰত কী যে ক'ব— ভাবি উলিয়াব নোৱাৰি মূৰ খজুৱাই থাকোঁতে বিষ্ণুভট্টয়েই পুনৰ ক'লে, "আপোনাক বৰ দুশ্চিন্তিত যেন লাগিছে, বৰ নিশকতীয়া হৈ পৰা যেন লাগিছে।—কিবা বিশেষ ঘটনা ঘটিলনে কি আপোনাৰ জীৱনত?"

বিষ্ণুভট্টৰ মিঠা কথাৰে প্ৰভাৱিত হৈ মুৰলীনাথে ভাবিলে: যদিও অচিনাকি, তথাপি এই যুৱকজন প্ৰকৃততেই ভাল বুলি বোধ হৈছে, গতিকে—মনৰ কথা—দুখৰ কথা—এওঁক হয়তো ক'ব পাৰি, আৰু—ভৱা মতেই মুৰলীনাথে আগন্তুক যুৱকক—ৰজাৰ লগত হাল-লগ কৰাৰ পৰিণামৰ কথা ক'লে।

শুনি বিষ্ণুভট্টই মুৰলীনাথক ক'লে, "ৰজাৰ সৈতে আপোনাৰ সুসম্পৰ্ক ঘূৰাই আনিবলৈ মই এটি উপায় চিন্তিছোঁ।"

মুৰলীনাথে জিজ্ঞাসু দৃষ্টিৰে বিষ্ণুভট্টলৈ চালে। বিষ্ণুভট্টই ক'লে, "প্ৰথমতে—ৰজা কমলচন্দ্ৰৰ সম্পৰ্কে আপোনাৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন লাগিব। ৰজাৰ আত্ম-অহং কাৰ আপুনি দেখিছে, ঠিকেই দেখিছে; কিন্তু ৰজা কমলত থকা উদাৰতাও আপুনি দেখিব লাগিব। সকলো কবি যেনেকৈ

এক নহয়। সকলো ৰজাও একেইবিধৰ নহয়। ৰজা কমলচন্দ্ৰই যে অন্যান্য ৰজা-মহাৰজাৰ তুলনাত অধিক গুণগ্ৰাহী, সেই কথাত নিশ্চয় আপোনাৰো সন্দেহ নাই।” বিষ্ণুভট্টই গম্ভীৰ কণ্ঠেৰে ক'লে।

বিষ্ণুভট্টৰ কথাৰ মাজত নিহিত সত্যক মুৰলীনাথে অস্বীকাৰ কৰিব নোৱাৰিলে, যদিও মুখেৰে এই বিষয়ে কোনো মন্তব্য নকৰিলে, তথাপি মুখ-চকুত বিষ্ণুভট্টৰ কথাৰ সমৰ্থন কৰাৰ আভাস দেখা গ'ল।

মুৰলীনাথৰ সমৰ্থনৰ কথা উমানতে ঠাৰৰ কৰিব পাৰি এইবাৰ বিষ্ণুভট্টই মহান কবি মুৰলীনাথক শুনাবলৈ ধৰিলে, যিটি কবিতাৰ মৰ্মাৰ্থ আছিল :

‘প্ৰবাহিতা স্ৰোতস্বিনীৰ পাৰত বহি মুকুলাধৰে মুকুলী বজাই বজাই মৃদু-মধু কণ্ঠেৰে আপোনপাহৰা হৈ গীত গাই আছিল। মুকুলীৰ ধ্বনি শুনি সেই স্ৰোতস্বিনী আনন্দ-উদ্বেল হৈ প্ৰবাহিতা হৈ আছিল। কিন্তু সেই স্ৰোতস্বিনীৰ অৰ্থাৎ নৈৰ তীৰত আছিল এক বাঁহনি, যি-বাঁহনিৰ বাঁহাৰোৰৰ মাজত কিছুমান বাঁহ বাঁহীৰ মধুৰ-মধুৰ ধ্বনি শুনি ঈৰ্ষান্বিত হৈ উঠিছিল। এই মুকুলী-ধ্বনি যে বাঁহবোৰৰে এটি বাঁহৰপৰা ওলাইছিল, সেই কথা সত্য। সেইহে ঈৰ্ষালু-উঠলু বাঁহবোৰে এই বংশীধ্বনি যেনেতেনে বন্ধ কৰিবলৈ উপায় চিন্তা থাকিল, উঠলু-ঈৰ্ষালু বাঁহ-বিলাকৰ অভিসন্ধি গোনতে বুজি নাপাই স্ৰোতাস্বিনীও বংশী-বাদকৰ ওপৰত ক্ৰুদ্ধ হৈছিল ; কিন্তু পাছত বাঁহবিলাকৰ ঈৰ্ষালু স্বভাৱৰ কথা উপলব্ধি কৰি বোধ-বুদ্ধিহীন বাঁহবিলাকৰ কথা ভাবি স্ৰোতস্বিনীৰ হাঁহি উঠিল, আৰু বংশীবাদকৰ বংশীধ্বনি আগতোকৈ মধুৰ লাগিল আৰু মুকুলীধৰৰ কাষলৈ যাবলৈ স্ৰোতস্বিনী বেগৱতী হৈ প্ৰবাহিত হৈ থাকিল। আৰু মুকুলীধৰে নৈৰ মনৰ কথা বুজি পাই—নৈৰ পৰিতৃপ্তিৰ অৰ্থে সম্পূৰ্ণ নতুনকৈ পুনৰ মুকুলী বজাবলৈ ধৰিলে।

বিষ্ণুভট্টৰ কবিতা শুনি মুৰলীনাথ বিস্ময়-বিমূঢ় হৈ পৰিল। তেওঁ কৈ উঠিল, “বিষ্ণুভট্ট, তুমি এক অদ্ভুত কবিতা ৰচিছা।

এই অপূৰ্ব কবিতাটি মোৰেই কাৰণে ৰচিছিলা যেন বোধ হৈছে !"

বিষ্ণুভট্টই নম্ৰ ভাৱে ক'লে, "আপোনাৰ অনুমান যথাৰ্থ, এই কবিতাটি আপোনাৰ কাৰণেই।—কিয়নো, বাইদেৱে মোক ঘটনাৰ কথা কৈছিল যে—আপুনি ৰাজ-দৰবাৰত আপোনাৰ তুগৰাকী সহ-কবিৰ ষড়যন্ত্ৰৰ ফলত অপমানিত হৈছিল।"

"তোমাৰ কথা সম্পূৰ্ণ সত্য। তেনেহ'লে—" মুহূৰ্তমান মৌন হৈ থকাৰ অন্তত মুৰলীনাথে পুনৰ ক'লে, "তেনেহ'লে —তোমাৰ এই কবিতাটোকে মই আমাৰ মহাৰাজক শুনাওঁনে ? কোৱাঁ, তোমাৰ মত কি ?" মুৰলীনাথে বিষ্ণুভট্টক সুধিলে।

"নিশ্চয়, নিশ্চয় শুনাব। শুনাবই লাগিব। কিন্তু আপুনি ছদ্মবেশ লৈ কেৱল ৰজা কমলচন্দ্ৰকহে একান্তভাৱে শুনাব লাগিব। এই কবিতাটিৰ শেষৰ ফালে যি লিখিত হৈছে, তাৰেপৰাই উপলব্ধি কৰিব যে তেওঁৰ প্ৰতি আপোনাৰ মনত কোনো ৰাগ-দ্বেষ নাই, কোনো অসৎ চিন্তা নাই, আপুনি ৰজাৰ প্ৰেমপ্ৰাৰ্থী কবি।"

কিন্তু বিষ্ণুভট্টৰ কথা তৎক্ষণাৎ মুৰলীনাথে মানি নল'লে। মুৰলীনাথ দোমোজাত পৰিল।

মুৰলীনাথৰ মনৰ কথা উমানতে ধৰিব পাৰি বিষ্ণুভট্টই ক'লে, "ভিনদেউ, আপুনি এই চিন্তা পৰিহাৰ কৰক যে এই

কবিতাটো আনে ৰচা কবিতা। এই কবিতাটো মই আপোনালৈ উপহাৰৰূপে আগ বঢ়ালোঁ। অনুগ্ৰহ কৰি এই নিঃকিনৰ এইটি সামান্য উপহাৰ গ্ৰহণ কৰক।"

কিন্তু আত্মাভিমানৰ প্ৰাচীৰখন বৰ ওখ হয়। আৰু মুৰলীনাথৰ বেলিকাও তাৰ অন্যথা নহ'ল। মুৰলীনাথে উদাস দৃষ্টি মেলি নিৰৱ-নিমাত হৈ ভাবি থাকিল……।

আৰু তাৰ পাছত এক অতি অদ্ভুত দৃশ্যলৈ চাই স্তম্ভিত হৈ পৰিল মুৰলীনাথ। মুৰলীনাথে সবিস্ময়ে দেখিলে যে—বিষ্ণুভট্ট নামৰ সেই যুৱক তাত আৰু নাই, আৰু সেই যুৱকৰ ঠাইত যুৱকৰ সলনি থিয় হৈ আছে মানিতা……!

বিস্ময়ৰ কোবত বোবা যেন হৈ পৰা মুৰলীনাথৰ মুখৰপৰা ওলাল, "মানিতা !"

মনিতাই মিঠাকৈ হাঁহিৰে ক'লে, "ওঁ, মই। আমাৰ দেউতাৰ শিষ্য হুজনৰ যোগেদি -- ৰাজ-দৰবাৰত আপোনাৰ অনাহক-অপমানৰ কথা জানিব পাৰি মই আৰু থিৰেৰে থাকিব নোৱাৰিলোঁ।— কিন্তু মই মোৰেই স্বাভাৱিক বেশত অহা-হেঁতেন আপুনি মোৰ এষাৰ কথাও নুশুনি-লেহেঁতেন। আৰু সেইহে মই পুৰুষালি পোছাকপাতি পিন্ধি বিষ্ণুভট্টৰ ভেশ লৈহে আপোনাৰ কাষ চাপিছিলোঁ।—এতিয়া মোৰ অনুৰোধ, এই কবিতাটি এতিয়াই ৰাজধানীলৈ গৈ মহাৰাজক শুনাক আৰু আপুনি ষড়যন্ত্ৰৰপৰা মুক্ত হৈ স্বস্তি লভক।"

কিন্তু যদিও ঘটনা-প্ৰবাহত বিস্মিত-অভিভূত, তথাপি মুৰলীনাথে, মনস্থিৰ কৰিব নোৱাৰিলে। মুৰলীনাথৰ মনৰ কথা বুজি পাই মানিতাই সুধিলে, "আপোনাৰ আপত্তিৰ কাৰণ কি ?"

"শুনা, স্ত্ৰীৰ প্ৰতি অৱহেলা, ৰজাৰ প্ৰতি উদাসীন-উপেক্ষা, আৰু পৰিপূৰ্ণ ৰাজ-দৰবাৰত অসম্মান — এই তিনিও বিষাক্ত বাণে মোক বিন্ধিছে। গতিকে—"

"কোনো 'গতিকে' নহয়, পতিকে যে ভাৰমুক্ত কৰিব পাৰিছোঁ—এয়ে হওক মোৰ জীৱনৰ শ্ৰেষ্ঠ পুৰস্কাৰ।"

মানিতাই এইষাৰ কথা কোৱাৰ লগে লগে মুৰলীয়ে মানিতাক বুকুত সাৱটি ল'লে, আৰু মানিতাৰ কথা মানি ল'ব বুলি কথা দিলে।

কিছুদিনৰ পাছত মুৰলীনাথে মানিতাই ৰচা সহজ-সৰল-সাধাৰণ কবিতাটো ৰজা কমলচন্দ্ৰক শুনাইছিল, আৰু মানৱৰ সৰ্বশ্ৰেষ্ঠ বন্ধন প্ৰীতিৰ বন্ধনেৰে তেওঁৰ হৃদয় জয় কৰিছিল।

এই ঘটনাৰ পাছৰপৰা মুৰলীনাথে যি কাব্য ৰচিছিল, মানিতাৰ সহযোগেৰে ৰচিছিল, আৰু কবিতাপুথিৰ বেটুপাতত লিখিছিল—'বিষ্ণুভট্ট-বিৰচিত'।



১৭

[আগৰ কথা : পদ্মমুখীয়ে অৱশেষত দুষ্ট-লোভী ৰাজকোঁৱৰহঁতৰ লালসাৰপৰা ৰক্ষা পাবলৈ এক অতি অভিনৱ উপায় আৱিষ্কাৰ কৰিছিল—ৰূপধৰৰ ধনুৰ্বাণ আৰু কুঠাৰৰ লক্ষ্যৰ খেলা। ৰূপধৰৰ ধনুষ যে এইহঁত ৰাজকোঁৱৰে আনকি ঠিকমতে দাঙিবলৈকো টান পাব, সেই কথাত বুদ্ধিমতী পদ্মমুখী আছিল নিঃচিন্ত। কথাটো পদ্মমুখীয়ে বৃদ্ধ ভিখাৰীৰূপী ৰূপধৰকো কৈছিল, কিয়নো পত্নী পদ্মমুখীয়ে তেতিয়াও সেই ভিখাৰী ভেশধাৰী ৰূপধৰক একেবাৰে চিনি পোৱা নাছিল। আৰু পাছদিনা এই ধনুৰ্বাণ-প্ৰতিযোগিতা আৰম্ভ হ'ল। আৰু তাৰ পাছত···]

একে একে ৰাজকোঁৱৰহঁতে ৰূপধৰৰ ধনুষ দাঙি ধনুষত জোঁত বা গুণ লগাই কুঠাৰৰ মাজেদি লক্ষ্যক অব্যৰ্থ ভাবে বাণেৰে বিন্ধি বীৰ বোলাবলৈ আহি থাকিল; কিন্তু লক্ষ্যলৈ বাণ-নিক্ষেপ দূৰৰে কথা, ৰূপধৰৰ সেই বিৰাট গধুৰ ধনুপাট কোনো এজনেও ঠিকমতে দাঙিবই নোৱাৰিলে।

ৰূপধৰে নংক্ৰেমখুড়াক আৰু সুখপ্ৰাণকো ইংগিতেৰে তেওঁৰ নিচেই কাষলৈ মাতি আনিলে আৰু শুনা-নুশুনকৈ ক'লে, "এতিয়া মই যিকথা কৈছোঁ, মনপুতি শুনিবা।—ধৰা, এতিয়াই তোমালোকৰ মালিক—ট্ৰয়দেশৰ যুদ্ধৰপৰা উভতি আহিল— তোমালোকে তেতিয়া বাৰু কি কৰিবা? তেওঁ যদি উভতি আহিয়েই এই দুষ্ট ৰাজকোঁৱৰহঁতৰ বিৰুদ্ধে যুঁজে,তোমালোকে তোমালোকৰ মালিকৰ হৈ যুজিবানে ৰাজকোঁৱৰহঁতৰ ফলীয়া

'হেমতালৰ কোৱ'

হ'বা? মনৰ কথা চাফ চাফ কৈ দিয়া।"

মালিকৰ কাৰণে—লাগিলে প্ৰাণ বিসৰ্জিবলৈকো সাজু—এই বুলি নংক্ৰেমে আৰু সুখপ্ৰাণে যেতিয়া ক'লে, তেতিয়া সেই বৃদ্ধ মগনিয়াৰে ক'লে, "শুনা, নংক্ৰেম,— ময়েই ৰূপধৰ। মই উভতি অহাৰ কথাত তুমি আৰু সুখপ্ৰাণে যে প্ৰকৃততেই আনন্দিত হ'বা — সেই কথাত মোৰ কোনো সন্দেহ নাই। —এতিয়া শুনা, যদি ঈশ্বৰৰ কৃপাত এই শত্ৰুইঁতক — দুষ্ট-ধূৰ্ত-লোভী ৰাজকোঁৱৰইঁতক বিনাশ কৰিব পাৰোঁ—তোমালোকক মই জোখে-জোখাৰে পুৰস্কাৰ দিম। খেতি-মাটি, ঘৰ-দুৱাৰ— সকলো দিম। এতিয়া কথা হ'ল—ময়েই যে ৰূপধৰ— তোমালোকৰ সেই মালিক— সেই কথা কেনেকৈ জানিবা? এয়া চোৱা মোৰ আঁঠুত থকা সেই বিশেষ চিন।"

নংক্ৰেম আৰু সুখপ্ৰাণে সিহঁতৰ মালিকক দেখা পাই আনন্দত চিঞৰি দিবলৈ লওঁতেই ৰূপধৰে সিহঁতৰ আনন্দ-প্ৰকাশত বাধা দি কৈ উঠিল, "এতিয়া আনন্দৰ সময় নহয়, এতিয়া যুঁজলৈ সাজু হোৱা। হেঁা, এটা কাম কৰা, তোমালোকে—আমাৰ তিৰোতাসকলক নিজৰ নিজৰ কোঠাতে থাকিবলৈ কোৱা, কোনোমতেই কোনো কাৰণতেই ঘৰৰ বাহিৰলৈ নোলায় যেন।"

তাৰ পাছত বৃদ্ধ মগনিয়াৰবেশী ৰূপধৰে ধনু দাঙিবলৈ ব্যৰ্থ হোৱা ৰাজকোঁৱৰইঁতক অতি নম্ৰভাৱে ক'লেগৈ, "মহাশয়সকল, আপোনালোকৰ ধনুষ-খেল শেষ হ'ল যেন পাইছোঁ। যদি বেয়া নাপায়—ময়ো এবাৰ চেষ্টা কৰি চাওঁনে? যদিও মই বুঢ়া হ'লোঁ, দেহৰ বল-শক্তিও হেৰুৱালোঁ, তথাপি—"

বুঢ়াৰ মগনিয়াৰ কথাত ৰাজকোঁৱৰইঁতে হাঁহিবইনে কি কৰিব—ভাবি উলিয়াব নোৱাৰিলে। কিন্তু দুৰ্বুদ্ধিয়ে বিৰক্তিৰে ক'লে, "হেই, বুঢ়া মাগি-খোৱাৰ পো, তোৰ কিবা মতি ভ্ৰষ্ট হ'লনে? তয়ো কিবা —অপাৰ সৌন্দৰ্য্যৱতী পদ্মমুখীক বিয়া কৰাবলৈ মন মেলিছনে কি? তই যদি ধনু-খেলত জিকিছ—মৰিছ। তোক আমি

জীয়াই থাকিবলৈ দিম বুলি ভাবিছনে ?"

"হুর্বুদ্ধি, এওঁ আমাৰ পুত্ৰৰ অতিথি। এওঁক ধনুষ নিদিবা কিয় ? এওঁ সঁচাসঁচিকৈ মোক বিবাহ কৰাব বুলি ভাবিছানে ? এওঁ হয়তো এই খেল এনেয়ে খেলি চাবলৈ ইচ্ছা কৰিছে।" পদ্মমুখীয়ে ক'লে।

"ভবা-ভবিৰ কোনো কথা নুঠে। কিন্তু—যিপাট ধনুষ আমি ঠিকমতে দাঙিব নোৱাৰিলোঁ—এই বুঢ়াই যদি পাৰে—আমাৰ ঘোৰ অপমান নহ'বনে ? আৰু তাৰ পাছতো—কোনে ক' পাৰে—যদি সি কুঠাৰৰ ওপৰেদি ঠিকঠাককৈ লক্ষ্যস্থলো বিন্ধি পেলায় কাঁড়েৰে—আমাৰ কিমানি বেইজ্জতী হ'ব কোৱাচোঁ ?" বিপুলযোদ্ধা নামৰ ৰাজকোঁৱৰে ক'লে।

"মা, তুমি মিছামিছিকৈ ইহঁতৰ সৈতে এইবোৰ কথাৰ বকলা মেলিছা। মই এই ধনুৰ্বাণ যাক মন যায় তাক দিম, ইহঁতনো মাত মাতিবৰ কোন ? ইহঁতক কিয় সুধিম আমি ? তুমি নিজৰ কক্ষলৈ যোৱা।" ধীৰধৰে নিৰ্ভীকভাবে ক'লে।

ধীৰধৰৰ সাহসভৰা কথা শুনি পদ্মমুখী ভিতৰ-ঘৰলৈ গ'লগৈ।

ইতিমধ্যে নংক্ৰেমে বৃদ্ধ মগনিয়ৰূপী ৰূপধৰৰ ওচৰলৈ ধনুৰ্বাণ লৈ আহিল আৰু নংক্ৰেমৰ এই কামত সকলো ৰাজকোঁৱৰেই চিঞৰি চিঞৰি প্ৰতিবাদ জনালে।

ধীৰধৰে ৰূপধৰক ক'লে, "যেয়ে চিঞৰিব

বিচাৰে চিঞৰি থাকক, তুমি তোমাৰ কাম নিডৰে-নিৰভয়ে কৰা।"

ৰূপধৰে সেই প্ৰকাণ্ড ধনুষ হেলাৰঙে একে চাবেৰে বাঁওহাতেৰে দাঙি ধৰিলে, আৰু সোঁহাত হাতেৰে দাঙি ল'লে এটি মাথোন বাণ।

এই দেখি ৰাজকোঁৱৰ এজনে সৰু সৰুকৈ কৈ উঠিল, "কথা বৰ—বিষমেই হ'ল দেখিছোঁ। ধনুৰ্বাণৰ ব্যৱহাৰ এই মগনিয়াৰ বুঢ়াই আমাতকৈ ঢেৰ ঢেৰ ভালকৈ জানে যে—মন কৰিছানে ?"

কথাষাৰ যিবিলাক ৰাজকোঁৱৰৰ কাণত পৰিল, সিবিলাকে ভয়-ভয় চাৱনিৰে বুঢ়া মগনিয়াৰটোলৈ চাই থাকিল।

ৰূপধৰে সেই প্ৰকাণ্ড ধনুষপাট দাঙি

অতি সহজভাবে ইফালে-সিফালে ঘূৰাই লক্ষ্যস্থললৈ বাণ মাৰি মৃদুকৈ হাঁহিৰে উজলা মুখেৰে উজলি থাকিল।

ৰূপধৰে ধীৰধৰলৈ চালে আৰু ক'লে, "বোপা, তোমাৰ প্ৰতিষ্ঠাত কোনো বেয়া দাগ পৰাটো মই একেবাৰেই নিবিচাৰোঁ। কিন্তু তুমি দেখিলাই যে মই কিমান সহজভাবে ধনুপাট দাঙিলোঁ, বাণ মাৰিলোঁ। এই নিজক নিজেই ডাঙৰ ডাঙৰীয়া বোলাইতে যি বোলে বোলক—মই যে মোৰ আগৰ বল-শকতি হেৰুৱা নাই—সি দেখা কথা। যা হওক, এওঁলোকৰ বাবে আহাৰৰ বন্দৰস্ত কৰাঁ, তাৰ পাছত আমোদ-প্ৰমোদৰো ব্যৱস্থা কৰাঁ।"

এই বুলি কৈ, ৰূপধৰে ধীৰধৰলৈ এক ৰহস্যজনক ইংগিত কৰিলে।

আৰু ধীৰধৰে ইখন হাতত চোকৰ তৰোৱাল আৰু সিখন হাতত বিৰাট আগজোঙা যাঠি এপাটৰে পিতাকৰ কাষলৈ গৈ থিয় দিলে। আৰু ৰূপধৰে তৎক্ষণাৎ তেওঁৰ মগনিয়াৰৰ ভেশ — ফটা-ছিঙা চোলা-চুৰিয়া সোলোকাই দলিয়াই পেলাই জাঁপ মাৰি সেই বিৰাট কক্ষৰ চৌকাঠৰ ওচৰত থিয় হৈ, সেই প্ৰকাণ্ড ধনুৰ ধেনু-সজাত যিটি টান মাৰিল, সেই ধেনুসজাৰ টানৰ ফলত এক সুগভীৰ বাদ্যধ্বনিৰ সৃষ্টি হৈ সকলো ৰাজকোঁৱৰৰ মনত এক অজান ভীতিৰ সঞ্চাৰ কৰিলে।

ৰূপধৰে আটাইবোৰ বাণ তেওঁৰ ভৰিৰ ফালত সিঁচৰি থ'লে আৰু সকলোটিলৈ চাই ক'লে, "মই অন্য এক লক্ষ্য স্থিৰ কৰিছোঁ, যি লক্ষ্য—ইয়াৰ আগতে কোনোও স্থিৰ কৰা নাছিল। আৰু—"

আৰু—এই কথা কোৱাৰ লগে লগেই দুৰ্বুদ্ধিলৈ টোঁৰাই এপাট চোকা কাঁড় এৰিলে আৰু সেই কাঁড়পাট মদ পি-থকা দুৰ্বুদ্ধিৰ ডিঙিত বিন্ধিলেগৈ।

দুৰ্বুদ্ধি বাগৰি পৰিল, আৰু মুহূৰ্ততে তাত এক হাহাকাৰ সৃষ্টি হ'ল, ৰাজকোঁৱৰহঁতে নিজৰ নিজৰ অস্ত্ৰ এটা কক্ষৰ দেৱালৰ গাত আঁৰি থৈছিল, এইবাৰ সেই অস্ত্ৰ-শস্ত্ৰবোৰ আনিবলৈ দৌৰি গ'ল।

কিন্তু সেই কক্ষৰ দেৱালৰ গাত তেতিয়া আৰু এপাট অস্ত্ৰও নাছিল।

ক্ৰুদ্ধ-ভীত ৰাজকোঁৱৰহঁতে ৰূপধৰলৈ অগ্নি-দৃষ্টিৰে চাই চিঞৰি কৈ উঠিল, "আমাৰ মানুহক বধিলি যে—তাৰ মজা এতিয়াই তোক দিম, ৰঃ।"

ৰূপধৰেও চিঞৰিয়েই ক'লে, "ঐ কুকুৰবোৰ, মই ট্ৰয়ৰপৰা আৰু উভতি নাহিম বুলিয়েই তোমালোকে ভাবিছিলা যে—জানো মই। সেই দুৰাশাৰেই তোমালোকে আমাৰ ঘৰ-দুৱাৰ, আমাৰ সা-সম্পদ—দখল কৰিছিলা, সকলো উবাৰিবৰ ষড়যন্ত্ৰ পাতিছিলা, আমাৰ লিগিৰীহঁতক নিজৰ কৰি লৈছিলা, আৰু জীয়াই থকাতেই মোৰ পত্নীকো অধিকাৰ কৰিব খুজিছিলা। তোমালোকৰ মাজত কি কোনো ধৰ্মাধৰ্ম জ্ঞান, কি দেৱভীতি একেবাৰেই নাই। মোলৈকো তোমালোকৰ প্ৰাণত ডৰ-ভয় নাই। এতেকে—এতিয়া যমৰ আলহী হ'বলৈ সাজু হোৱাহঁত!"

ৰূপধৰৰ গমগমীয়া কথাখিনি শুনি ৰাজকোঁৱৰহঁতৰ ঠেংবোৰে ধাৰৰ নলকঁপা দি কঁপি থাকিল। কেৱল বিপুলযোদ্ধা নামৰ ৰাজকোঁৱৰে কেনেবাকৈ ক'লে, "তুমি যদি সঁচাকৈয়েই সেই ৰূপধৰ—তোমাৰ ইবোৰ অভিযোগ সত্য। আমি প্ৰকৃততেই যথেষ্ট দোষ কৰিছোঁ। আমাৰ এইবোৰ দোষৰ ঘাই হ'ল—সেই দুৰ্বুদ্ধি। কেৱল তোমাৰ পত্নীক গ্ৰাস কৰিবলৈ দুৰ্বুদ্ধি ইয়ালৈ আহা নাছিল, সি তোমাৰ পুত্ৰ ধীৰধৰকো খতম্ কৰি তোমাৰ সমস্ত সা সম্পদ গ্ৰাস কৰিবলৈ আহিছিল;

কিন্তু আমাৰ মাজত বহুতেই এই দুৰ্বুদ্ধীয়া কামলৈ সমৰ্থন জ্ঞাপন কৰা নাছিলোঁ। যে—কথাষাৰ বিশ্বাস কৰা আৰু আমাক অপৰাধৰ পৰা মুক্ত কৰা।"

"কিন্তু দিনৰ পাছত দিন — মাহৰ পাছত মাহ ধৰি তুমিও দেখোন ইহঁতৰ লগতে থাকি আমাৰ পৰিয়ালখনৰ সৰ্বনাশ কৰাত হাত উজান দিছা। তেতিয়া তোমাৰ এই সৎবুদ্ধিখিনি ক'তেনো সাঁচি থৈ ছিলা হে? যেই কি নহওক—তোমালোকক মই শুদাই নেৰোঁ। মই তোমালোকৰ পলাই সাৰিবৰ পথো ভালকৈ বন্ধ কৰি থৈছোঁ।" ৰূপধৰে শান্ত কিন্তু গহীন মাতেৰে ক'লে।

তেতিয়া বিপুলযোদ্ধই তাৰ অনুচৰ-ইঁতক ক'লে, "ভাইসকল, এওঁ—এই ৰূপধৰে আমাক বধিবই। গতিকে—সকলোৱে অস্ত্ৰ হাতত লৈ এওঁৰ ওপৰত এতিয়াই জঁপিয়াই পৰিব লাগে।"

আৰু লগে লগে সেই অনুচৰইঁত, আৰু অন্য ৰাজকোঁৱৰ কিছুমানেও ৰূপধৰক চাৰিওফালৰপৰা চায়ন দি ধৰিলে। কিন্তু বুদ্ধিমতী দেৱীৰ অপাৰ অনুগ্ৰহৰ ফলত ৰূপধৰে, আৰু ৰূপধৰৰ লগত ধীৰধৰ, আৰু নংক্ৰেম-সুখপ্ৰাণেও তৰোৱাল-কুঠাৰ-যাঠি আদিৰে সেই লুভীয়া ৰাজকোঁৱৰ-ইঁতক কচুকটা দিব পাৰিলে।

ভাগ্যক্ৰমে ৰূপধৰ-ধীৰধৰ অলপো আহত নহ'ল। আনকি নংক্ৰেম-সুখ-প্ৰাণৰো কোনো অনিষ্ট নহ'ল।

সেই বিৰাট কক্ষটোত—অলপ সময়ৰ আগলৈকো জীয়াই থকা ৰাজকোঁৱৰহঁত এতিয়া নিষ্প্ৰাণ-নিস্পন্দ হৈ মজিয়াত পৰি আছিল। ৰূপধৰে প্ৰধান লিগিৰী বহুকীৰ্তিক মতাই অনালে আৰু ক'লে, "বহুকীৰ্তি, লিগিৰীইঁতক কোৱাগৈ এই কক্ষ ধুই-মচি নিকা কৰিব লাগে। আৰু লিগিৰাইঁতক কোৱাগৈ যে—এইবোৰ মৃতদেহ আমাৰ সাগৰপৰীয়া মৰিশালিলৈ লৈ যাব লাগে। [আহা সংখ্যাত অন্ত]



মহাবিষ্ণুৰ মায়াবল

ধ্ৰুৱৰ তপস্যাৰ তীব্ৰতালৈ চাই বিচলিত দেৱৰাজ ইন্দ্ৰই ধ্ৰুৱৰ ঘোৰ তপস্যা ভংগ কৰিবলৈ বিকথ নামৰ এক গন্ধৰ্বক ৰাক্ষসৰ ৰূপত প্ৰেৰণ কৰিলে। অনতিদূৰত থকা মুনি এগৰাকীয়ে ৰাক্ষসৰূপী বিকথ গন্ধৰ্বৰ মনোভাব বুজি পাই বিকথক ক'লে, "তুমি সঁচাসঁচিকৈ ৰাক্ষস হোৱাঁ।"

বিকথ ৰাক্ষস হ'ল— কিন্তু ত্ৰিলোকৰ ক'ত কি হৈছিল-নহৈছিল—আগৰ দৰেই জানি থাকিল।

শৰ্বৰী আৰু গোদাৱৰী নদীৰ সংগম-স্থলত থকা এখন আশ্ৰমত ভালেমান মুনি বাস কৰিছিল। এদিন মুনি-বালকসকল অৰণ্যত ঘূৰি-ফুৰি খেলি থাকোঁতে বিকথ-ৰাক্ষস তালৈ গ'ল, আৰু ৰাক্ষস এটাক দেখা পায়েই সকলো মুনিবালক দৌৰি পলাল। কিন্তু ভৰত নামৰ এক মুনিবালক তাত অলৰ-অচৰভাবে থিয় হৈ থাকিল।

এই ঘটনাৰ কথা শুনি ভৰতৰ পিতাক তৎক্ষণাৎ তালৈ গ'ল, আৰু তেওঁ বিকথ-ৰাক্ষসক ক'লে, "এইটিয়েই মোৰ একমাত্ৰ পুত্ৰ। লাগে যদি—মোকেই খোৱাঁ, আৰু মোৰ এই পুত্ৰটিক এৰি দিয়া।"

"বাৰু কথা কৈছা। শুনা, মই তোমাক এবাৰ সুযোগ দিম পুত্ৰক ৰক্ষা কৰাৰ বাবে। কালিলৈ ৰাতিপুৱাতে মই আকৌ ইয়ালৈ আহিম। 'তুমি তোমাৰ পুত্ৰটিক যদি—মই ত্ৰিলোকত বিচাৰিও নোপোৱা কোনোবা ঠাইত লুকাই ৰাখিব পাৰা—তোমাৰ এই পুত্ৰক ধৰি নাখাওঁ।"

ভৰতৰ পিতাকে পুত্ৰক ৰক্ষাৰ বাবে তেওঁৰ সমস্ত তপোবল সমৰ্পণ কৰিব বুলি

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

স্থিৰ কৰি ভগৱান ব্ৰহ্মাক সুঁৱৰিলে।

ভগৱান ব্ৰহ্মাই ভৰতৰ পিতাকক দেখা দিলে। ভৰতৰ পিতাকে ব্ৰহ্মাক ক'লে, "মোৰ পুত্ৰক ৰক্ষা কৰক! এনেহেন কোনোবা স্থানত লুকাই ৰাখক, য'ত বিকৃথৰাক্ষসে পুত্ৰটিক বিচাৰি নাপাব।"

ব্ৰহ্মাই ভৰতক লৈ গ'ল আৰু নিজে যিটি পদুমৰ আসনত উপবেশন কৰিছিল, ভৰতক পাদুমৰ পাপৰিলৈ ৰূপান্তৰিত তাত লুকুৱাই থ'লে।

পাছদিনা বিকৃথৰাক্ষস যথাৰৎ নিৰ্দিষ্ট সময়ত ভৰতৰ পিতাকৰ ওচৰলৈ আহিল, তেওঁক ক'লে, "মূৰ্খ, ব্ৰহ্মাই যে তোমাৰ পুত্ৰটিক পদুমৰ পাপৰিলৈ পৰিৱৰ্তিত কৰি লুকাই থৈছে, মই জানো। প্ৰথম বাৰলৈ তোমাক ৰেহাই দিলোঁ, নাখাওঁ তাক। দ্বিতীয় বাৰলৈ তোমাক সুযোগ দিছোঁ।"

এইবাৰ ভৰতৰ পিতাকে দেৱাদিদেৱ শংকৰক সুঁৱৰিলে আৰু শংকৰ তেতিয়াই তালৈ আহিল। কথাখিনি শুনি শংকৰে ভৰতক লৈ গ'ল, কিন্তু বিকৃথ ৰাক্ষসে এইবাৰো ভেদ জানিলে।

বিকৃথই শেষ বাৰৰ বাবে ভৰতৰ দেউতাকক সুযোগ দিলে আৰু এইবাৰ ভগৱান বিষ্ণুক সোঁৱৰাত বিষ্ণুও তৎক্ষণাৎ প্ৰত্যক্ষ হ'ল আৰু মুনিৰ কথা শুনি বিষ্ণুৱে ভৰতক নিজৰ সৈতে লৈ গ'ল।

পাছদিনা যথাৰৎ বিকৃথৰাক্ষস আহিল আৰু নিজৰ দৃষ্টিৰে তিনিও লোকতে ভৰতক বিচাৰি থাকিল। কিন্তু ক'তো বিচাৰি নাপাই বিকৃথই চিঞৰি উঠিল, "হে মুনিবালক, তুমি ক'ত আছা?"

"মই ইয়াত— !"

ভৰতৰ কণ্ঠস্বৰ স্পষ্ট শুনা গ'ল।

বিকৃথই ক'লে, "মই তোমাৰ কোনো অনিষ্ট নকৰোঁ, মোৰ আগত দেখা দিয়া।"

তেতিয়া বিকৃথৰাক্ষসৰ বুকু ভেদি ভৰত ওলাই আহিল, আৰু বিকৃথৰাক্ষসৰ মৃত্যু হ'ল। এই মৃত্যুৰ ফলত বিকৃথই তাৰ গন্ধৰ্ব-জীৱন পুনৰ ঘূৰাই পোৱা হ'ল।

পৰিপূৰ্ণ বিশ্বাসৰ ফল

তথাপি ৰজা বিক্ৰমাদিত্য নদমিল। পুনৰ সেই মৃতদেহটো গছৰ ডালৰপৰা নমাই আনি কান্ধত কঢ়িয়াই শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা বিক্ৰম, তোমাৰ বাস্তৱবুদ্ধিৰ কথাত মোৰ কিছু সংশয় হৈছে। তুমি যি লক্ষ্য পূৰণৰ বাবে যুগ যুগ ধৰি যি কঠোৰ শ্ৰম কৰিছা, সেই শ্ৰমত পৰিপূৰ্ণ বিশ্বাস আছেনে? লক্ষ্য কেতিয়াবা যদি পূৰণ হয়ও, তুমিনো কি সুখ পাবা? যথোপযুক্ত বয়সত যদি ফল ভোগ কৰিব নোৱাৰা, মৃত্যুৰ আগে আগে সেই ফল-লাভেৰেইবা কি হ'ব ? মই এই বিষয়ে তোমাক দ্বিগুণ নামৰ এক মহা ধনৱান ব্যক্তিৰ উপবাসৰ কথা ক'ম, যি দ্বিগুণৰ কাহিনীয়ে তোমাক নতুন চিন্তাৰ সমল যোগাব বুলি ভাবোঁ।" এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে:

'বেতাল-কথা'



জনশ্ৰুতি মতে : বলভদ্ৰপুৰৰ বলৰামৰ ঘৰৰ বাৰীত ক'ৰবাত মটিৰ তলত গুপ্তধন আছে। বলৰামে বহুদিন ধৰি সেই গুপ্তধন বিচাৰি উলিয়াবৰ চেষ্টা কৰিছিল, কিন্তু সমূলি ব্যৰ্থ হৈছিল। এদিন এগৰাকী সন্ন্যাসী বলৰাম ঘৰলৈ আহিল, বলৰাম আৰু বলৰামৰ পত্নীৰ সেৱা-যত্নত মুগ্ধত হৈ সেই সন্ন্যাসীয়ে বলৰামক ক'লে, "কোনোবা প্ৰকৃত সৎ পুৰুষে যদি তিনি দিনলৈ দন টানি খাই চতুৰ্থ দিনত নিৰম্বু উপবাস কৰে, আৰু পঞ্চম দিনত যদি কোদালেৰে তোমাৰ বাৰীত খান্দে, তুমি নিশ্চয় গুপ্তধন পাবা।"

পাছদিনাৰপৰা বলৰামে সৎপুৰুষ বুলি ভাবি বহুতকেই তিনি দিন ধৰি খুৱালে, আৰু চতুৰ্থ দিনা উপবাসো কৰোৱালে; কিন্তু পঞ্চম দিনত কোদালেৰে খন্দায়ো একোৱেই নোপোৱা হ'ল যেতিয়া— তেতিয়া সন্ন্যাসীৰ কথালৈ বলৰামৰ মনত সন্দেহ উপজিল।

কেইদিনমানৰ পাছত সন্ন্যাসীগৰাকী পুনৰ বলৰামৰ ঘৰলৈ আহিল, আৰু বলৰামে সকলো কথা সন্ন্যাসীক খুলি-মেলিয়েই ক'লে।

সন্ন্যাসীয়ে বলৰামক ক'লে, "মই তোমাক কৈছিলোঁ যে—উপবাসকাৰীয়ে নিৰম্বু উপবাস কৰিব লাগিব। অৰ্থ মানে যে পানী— তোমাৰ মনত আছিলনে? এই নিয়ম পালন কৰা হৈছিলনে?"

তেতিয়া বলৰামে ভাবি চালে যে—উপবাসকাৰীহঁতৰ মাজত কিছুমানে ফল খাইছিল, কিছুমানে খাইছিল গাখীৰ। কিন্তু পানী সকলোটিয়েই খাইছিল।

এইবাৰ বলৰামে সন্ন্যাসীয়ে কোৱা মতে উপবাসৰ কথা বিশদ বুজি পালে আৰু সন্ন্যাসীক ক'লে, "হে মহাত্মা, গুপ্তধন পোৱাৰ বাবে কোনেও নিৰম্বু-উপবাস কৰিবনে সন্দেহ হৈছে। এই উপবাস যদি মই নিজেই কৰোঁ—সুফল পামনে?"

"নহয়, নোপোৱা। কিয়নো—তুমি কেৱল আত্মস্বাৰ্থতেহে উপবাস কৰিবা। গতিকে—সুফল নোপোৱা এটা কাম কৰা। অলপ দূৰত পুৰন্দৰপুৰ নামৰ গাঁৱত

দ্বিগুণ নামৰ এজন মানুহ আছে, তেওঁক নিমন্ত্ৰণ কৰি আনি তিনিদিনলৈ উত্তমৰূপে খুৱাই চ'ঠাদিনা ঠিকমতে নিৰম্বু উপবাস কৰাবা, আৰু পাঁচ দিনৰ দিনা কোদালেৰে খন্দাবা, গুপ্তধন নিশ্চয় পাবা।"

এই বুলি কৈয়েই সন্যাসী তাৰপৰা গুচি গ'ল, আৰু বলৰামো তেতিয়াই পুৰন্দৰপুৰলৈ বুলি খোজ লোৱা হ'ল।

পুৰন্দৰপুৰ পাই বলৰামে অতি সহজেই দ্বিগুণৰ ঘৰটো বিচৰি পালে। দ্বিগুণ আছিল সেই ঘোকোটৰ গাঁওখনত একমাত্ৰ মহাধনরান ব্যক্তি। দ্বিগুণৰ ঘৰৰ দাস-দাসীৰ সংখ্যা বিছতকৈও বেছি—এজন গাঁৱলীয়াৰ মুখে এই কথা শুনি বলৰাম কিছু দমি গ'ল। এনেহেন ভব্য-গব্য ব্যক্তি এজন বলৰামহেন সাধাৰণ অৱস্থাৰ মানুহ এজনৰ ঘৰলৈ যাবনে ?

তাৰ পাছত যেতিয়া ৰেছমী চুৰিয়া-চোলা পিন্ধা সোণৰ আ-অলংকাৰেৰে সজ্জিত মহাপ্ৰভুহেন দ্বিগুণক দেখা পালে — তেতিয়া একো নোসোধাকৈয়েই নিজেই নিজেই বলৰাম হতাশ হৈ পৰিল। দেখাত সাক্ষাত ভগৱন্তৰ মূৰ্তিহেন দ্বিগুণ নামৰ ব্যক্তিজনক বলৰামে এক অতি সাধাৰণৰো সাধাৰণ গৃহস্থৰ ঘৰলৈ যাবলৈ কেনেকৈনো ক'ব ?

কিন্তু দ্বিগুণে নিজেই বলৰামলৈ স্বাগত জনালে আৰু সুধিলে যে কি কামত

তেওঁ তেওঁৰ কায চাপিছে। দ্বিগুণৰ প্ৰশ্নৰ সত্য উত্তৰ দিবলৈকো বলৰাম কোঁচ খাই পৰিল। কিন্তু দ্বিগুণে নিজেই প্ৰশ্নৰ পাছত প্ৰশ্ন কৰি বলৰামৰ উদ্দেশ্যৰ কথা জানি ল'লে।

দ্বিগুণে বৰ ভদ্ৰভাবে বলৰামক ক'লে, "আপুনি আহোঁতেই বেলিয়ে ভাটি দিলে, আজি আৰু ঘৰলৈ উভতি যোৱাৰ আৱশ্যক নাই। ৰাতিছোৱা আমাৰ ঘৰতে দয়া কৰি থাকক, আৰু কালিলৈ ৰাতিপুৱা আপোনাৰ সৈতেময়ো আপোনাৰ গৃহলৈ যাম।"

দ্বিগুণৰ কথাত বলৰাম অতি প্ৰসন্ন হ'ল আৰু দ্বিগুণৰ সুন্দৰ আতিথ্যৰ গুণত বলৰামে লাল-কাল টোপনিৰে ৰাতিছোৱা

অতি সুন্দৰভাবেই পাৰ কৰিলে।

ৰাতিৰ পৰতে, শোৱাৰ আগতে, বলৰামে কথাই কথাই দ্বিগুণৰ চাকৰ এজনক সুধিলে, "দ্বিগুণ ডাঙৰীয়া—মানুহজন কেনে কোৱাচোন?"

"তেওঁৰ মাজত অতি ভাল আৰু অতি বেয়া—এই দুয়োবিধৰ স্বভাৱ আছে। তেওঁত দয়া-ধৰমো অভাৱ নাই, আৰু কাঠ-কঠিন কঠোৰতাৰো অভাৱ নাই। পিছে—তেওঁ তেওঁৰ বেয়া স্বভাৱখিনিৰ কথা আনৰদৰে লুলুকায়, বা অস্বীকাৰ নকৰে।" কামকৰা মানুহজনে বলৰামক সহজ মনেৰেই কথাখিনি ক'লে।

ৰাতি পুৱাল। দ্বিগুণ ডাঙৰীয়াই বলৰামক গাড়ীত উঠি বহিবলৈ ক'লে আৰু তেওঁ তেওঁৰ লগত আন এজন মানুহকো ল'লে। এই মানুহজন কোন বুলি সোধাত দ্বিগুণ ডাঙৰীয়াই বলৰামক ক'লে যে মানুহজন হ'ল তেওঁলোকৰ ৰান্ধনি মানুহ। দ্বিগুণে ক'লে, "মই ভোজনপ্ৰিয় মানুহ। এওঁৰ ৰন্ধা খাদ্যবস্তু খাই মই বৰ ভাল পাওঁ। সেইহে—যেতিয়াই য'লৈকে যাওঁ, এই ৰান্ধনিমানুহজনকো মই লগত লৈ ওলাওঁ।"

ভালেখিনিলৈকে যোৱাৰ পাছত হঠাৎ এঠাইত দ্বিগুণে গাড়ীখন ৰখালে, আৰু গাড়ীখনৰ পিছে পিছে আহি থকা মানুহৰ এজন সৈতে কিবাকিবি কথা পাতিবলৈ ধৰিলে।

এই মানুহজনে দ্বিগুণৰ প্ৰশ্নৰ উত্তৰত দ্বিগুণক ক'লে, "মোৰ পত্নী বেমাৰত পৰি আছে, মই বৈদ্যই খাবলৈ দিয়া কিছুখিনি বিশেষ মূল-পাত আনিবলৈ গৈ আছোঁ দৰবদানি নামৰ গাঁৱলৈ।"

দ্বিগুণে মানুহজনৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰাত মানুহজনে ক'লে, "মোকো গাড়ীত উঠাই ল'ক, জল্‌দি তেতিয়া মইয়ো জল্‌দি দৰবদানিলৈ যাব পাৰিম।"

দ্বিগুণে ক'লে, "পাঁচ বছৰৰ আগতে তোমাৰ পত্নীয়ে আমাৰ গিয়াতি এজনৰ ল'ৰা এটিক অতি অন্যায়ভাৱে গালি পাৰিছিল। এই বেমাৰ তাৰেই ফল। গতিকে— এতিয়া সেই ফল ভুগিবই

লাগিব।" এই বুলি কৈয়েই দ্বিগুণে গাৰোৱানক গাড়ীখন পুনৰ চলাবলৈ আদেশ দিলে। দ্বিগুণে মানুহজনক গড়ীত উঠাই ন'লে।

আৰু কিছুদূৰলৈ যোৱাৰ পাছত কোনোবা এজনক এজোপা গছৰ তলত বহি কান্দি থকা দেখি দ্বিগুণ ডাঙৰীয়াই গাড়ীখন পুনৰ বখালে, আৰু—মানুহজনক সুধিলেগৈ, "হেৰা, তুমি নৰসিংহ নোহোৱা জানো? কান্দিহা কেলেই হে?"

"চাইদিনৰ আগতে দেউতা আমাৰ ঢুকাল। তেওঁৰ কথা মনত পৰাত মই কাইন্ছু।" মানুহজনে ক'লে।

"তোমাৰ দেউতাৰাই মোক সকতে কত যে মধুৰবিগ্ৰাম খাবলৈ দিছিল, কেঁচা তালৰ আঠিৰ শাহ দিছিল---!" কৈ কৈ দ্বিগুণ ডাঙৰীয়ায়ো চকুপানী মচি থাকিল।

দ্বিগুণ ডাঙৰীয়াই উচুপি থকা দেখি বিস্ময়ৰ কোবাত নৰসিংহৰ কান্দোন বন্ধ হ'ল। কিন্তু পাছ মুহূৰ্ততে দ্বিগুণ ডাঙৰীয়াই হাঁহি উঠিল আৰু ক'লে, "তোমাৰ দেউতাৰ কিন্তু মানুহজন আছিল টেটোনৰো টেটোন। জীয়াই থকালৈকে লোকক ভাঁৰিছিল। তেওঁৰ কামকৰাইঁতক তেওঁ ঠিকমতে পইচা-পাতি নাদিছিল, আৰু চুবুৰীয়াৰ মাটি গ্ৰাস কৰিছিল। টেটোন-প্ৰতাৰক এটাৰ কাৰণে কান্দিছানো কিয়? হাঁহিবহে লাগে, হাঁহা—হা হাকৈ হাঁহা।"



আৰু এই বুলি কৈয়েই তেওঁ পুনৰ গাড়ী চলাবলৈ গাৰোৱানক ক'লে।

দ্বিগুণৰ কথাত সত্যতা থাকিব পাৰে; কিন্তু তেওবুলি পিতৃহীন মানুহ এজনক এনেকৈ ক'ব নাপায়। বলৰামে ভাবিলে।

তাৰ পাছত—আৰু অলপ দূৰলৈ গৈ বলৰামে পুনৰ গাড়ীখন ৰখালে আৰু ৰান্ধনি মানুহজনক ৰান্ধিবলৈ ক'লে।

ৰন্ধা-বঢ়াৰ পাছত দ্বিগুণ ডাঙৰীয়াই দন টানি খাই পুনৰ গাড়ীত উঠি বহিল আৰু মাজত আৰু তুবাৰমান গাড়ী ৰখাই, ৰান্ধনিৰে ৰন্ধাই, টেটুঁলৈকে খাই, গধূলিৰ আগে আগে বলৰামৰ ঘৰ পালেগৈ।

বলৰাম-পত্নীয়ে দ্বিগুণ ডাঙৰীয়ালৈ অতি সুন্দৰকৈ আদৰণি জনালে, আৰু

দ্বিগুণেও বলৰামৰ পত্নীৰ সৌন্দৰ্য্যৰ ভূৰি ভূৰি প্ৰশংসা কৰিলে। দ্বিগুণে বলৰামৰো সৌন্দৰ্যৰো প্ৰশংসা কৰিলে, কিন্তু লগতে এই কথাও ক'লে যে—বলৰামে ঘৰটোক অসুন্দৰ কৰি ৰাখিছে।

তাৰ পাছত—তিনিদিন ধৰি দ্বিগুণ ডাঙৰীয়াই বলৰামৰ ঘৰত ইচ্ছামতে—দিনৌ ছয়সাজকৈ খালে। এই কথাত যে বলৰামৰ ঘৰৰ আটাইবিলাকেই আচৰিত মানিছে—সেই কথাটো দ্বিগুণ ডাঙৰীয়াই নুবুজাকৈ নথাকিল।

চাৰিদিনৰ দিনা দ্বিগুণ ডাঙৰীয়াই উপবাস কৰিবলৈ ল'লে, কিন্তু তেওঁ তেওঁৰ ৰান্ধনি মানুহজনৰদ্বাৰা বিধোবিধ খাদ্যবস্তু ৰন্ধোৱাই দিনটোত মাত্র তিনিসাজ খালে।

বলৰামে যেতিয়া সুধিলে যে উপবাস-কালত খোৱা-বোৱা কৰি থাকিলে কেনেকুৱা উপবাস হ'ল—তেতিয়া দ্বিগুণে বলৰামক ক'লে, "মই দিনৌ ছয়সাজ খোৱা মানুহ। গতিকে— মাত্র এই নামনাচ তিনিসাজ—এয়ে মোৰ কাৰণে কঠোৰ উপবাস।"

বলৰামে ভাবিলে: সন্যাসীয়ে কোৱামতে মই সকলো কৰিলোঁ, কিন্তু এওঁ যে উপবাসাৰ নামত মৰ খাৱনে খালে, সেই কথা দেখা কথা। গতিকে—এওঁৰ দ্বাৰাও কোনো কামেই নহ'ব।

কিন্তু পাছদিনা — পাঁচদিনৰ দিনা যেতিয়া দ্বিগুণে কোদালেৰে বলৰামৰ বাৰীত খান্দিলেগৈ, তেতিয়া, খান্দি থকাৰ অলপমান পাছত হঠাৎ এঠাইত ঠং ঠংকৈ শব্দ উঠিল, আৰু অলপ সময়ৰ পাছত মাটিৰ তলৰপৰা একলহ সোণৰ মোহৰ ওলাই পৰিল।

এই কাহিনী ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমক সুধিলে, "হে ৰাজন্! গুপ্তধন প্ৰাপ্তিৰ বাবে সন্যাসীয়ে কোনোবা উত্তম সৎপুৰুষক তিনি দিনলৈ যথোপযুক্তভাবে আহাৰাদি কৰালে আৰু চতুৰ্থ দিনা নিৰম্বু উপবাস কৰালে গুপ্তধন পাই যাব বুলি কৈছিল। কিন্তু—দ্বিগুণে সন্যাসীয়ে কোৱা মতে নিৰম্বু উপবাস কৰিছিলনে? কৰা নাছিল। তথাপি

কিন্তু বলৰামে দ্বিগুণৰদ্বাৰায়েই গুপ্তধন প্ৰাপ্ত হৈছিল। কথাটো বৰ অদ্ভুত নহয়নে? আৰু— দ্বিগুণক কেনেকৈনো উত্তমশ্ৰেণীৰ সৎপুৰুষ বুলি ক'ব পাৰি? আনকি—দ্বিগুণে গুপ্তধন বিচাৰি পাল তিনিভাগৰ এভাগ ল'ব বুলি কৈছিল, আৰু লৈছিলও। গতিকে — সন্যাসীৰ কথাৰ কিনো মূল্য থাকিল? মোৰ এইবোৰ প্ৰশ্নৰ সদুত্তৰ মোক লাগে। এটা কথা তোমাক ফটফটীয়াকৈ সোঁৱৰাই দিওঁ যে— তুমি যদি জানিও মোৰ প্ৰশ্নৰ সদুত্তৰ নিদিয়া, তেনেহ'লে এই মুহূৰ্ততেই তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি ধ্ৰুৱকৈ জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "মনুষ্যকুলত সম্পূৰ্ণ সৎ পুৰুষ বা নাৰী নাই—থাকিব নোৱাৰে। সৎ পুৰুষ এগৰাকীয়ে যেতিয়া নিজৰ সামান্য অসততাকো লুকাই থয়, তেতিয়া তেৱোঁ অসৎ হৈ পৰে। দ্বিগুণে কিন্তু নিজৰ অসততাক লুকাই নথৈছিল, প্ৰকাশ কৰিছিল। আৰু এই কাৰণে দ্বিগুণৰ সততা আৰু অসততাও সৰ্বজনজ্ঞাত আছিল। গতিকে—আপাতদৃষ্টিত কটুৰ-কঠোৰ যেন লগা দ্বিগুণক দৰাচলতে সৎ ব্যক্তি বোলাৰ থল আছে।— এতিয়া থাকিল দ্বিগুণৰ উপবাসৰ কথা। দ্বিগুণে দিনৌ য়সাজ আহাৰাদি কৰিছিল। এতেকে—অৰ্দ্ধং ত্যজতি পণ্ডিতঃ—বচন অনুসাৰে বিবেচনা কৰি চালে— ছয় সাজৰ সলনি তিনি সাজ খাই দ্বিগুণে একপ্ৰকাৰে উপবাসেই কৰিছিল বুলি ক'ব পাৰি। বিশেষকৈ—দ্বিগুণে পৰিপূৰ্ণভাৱে বিশ্বাস কৰিছিল যে এয়ে তেওঁৰ উপবাস। আৰু এই পৰিপূৰ্ণ বিশ্বাসৰ সুফল লাভ কৰিছিল দ্বিগুণ-বলৰামে।"

ৰজা বিক্ৰমৰ এই উত্তৰ শুনামাত্ৰেই বেতালে সেই শ'টো লৈ সাউতকৰে গুচি গ'ল, আৰু গৈ গৈ সেই গছজোপাৰ এটা ডালত পুনৰ ওলমি থকা হ'ল। [কল্পিত

সাষ্টাংগ

বলভদ্ৰপুৰ সাগৰপৰীয়া গাঁও। এবাৰ তাত ধুমাৰ্জৰ ধুমুহাই গাঁওকে গাঁও ধ্বংস কৰি পেলালে, বহুতৰে ঘৰ-দুৱাৰ ধুমুহাই উৰুৱাই নিলে। ভূধৰ নামৰ এক দুখীয়াৰো দুখীয়াই তাৰ ঘৰটো কেনেকৈ-কিমতে যে মেৰামতি কৰিব—ভাবি ভাবি যেতিয়া মাথাখাবাপাৰ দৰে হ'ল, তেতিয়া এজন চুবুৰীয়াই ভূধৰক দুৰ্ধৰ মহাজনৰপৰা ধন কিছুখিনি কৰ্জা হিচাপে ল'বলৈ ক'লে।

ভূধৰ দুৰ্ধৰৰ ওচৰলৈ গ'ল আৰু এহেজাৰ টকা কৰ্জা হিচাপে খুজিলে। দুৰ্ধৰে ভূধৰৰ ভৰিৰপৰা মূৰলৈকে চালে, আৰু ক'লে, "তুমি—ভূধৰ নহয় জানো ? মোক তেন্তে—তুমিও চিনি পোৱা !"

"কি যে কয়—আপোনাকো চিনি-নোপোৱা গাঁৱত কোনোৱা আছেনে ?" ভূধৰে ক'লে।

"কিন্তু তুমি মোক চিনি পোৱা বুলি মোৰ ধাৰণা নাছিল। তুমি বাৰু মোক কোনোবাদিনা নমস্কাৰ কৰিছিলানে ?—নাই কৰা, তুমি বৰ অহংকাৰী।" দুৰ্ধৰে ক'লে।

"মই অগিয়ানে ভুল কৰিছিলোঁ, ক্ষেমা কৰকেই।" এই বুলি কৈ, ভূধৰে দুৰ্ধৰক নমস্কাৰ কৰিলে।

"মোক এটি নমস্কাৰ কৰাৰ বাবে ধুমুহা-তুফানৰ আৱশ্যক হ'ল। এনেকুৱা বাধ্যত পৰি নমস্কাৰ—মোক বহুতেই কৰে। তুমি—মোক সাষ্টাংগ-নমস্কাৰ কৰিবা তেহে কৰ্জাৰ ধন পাবা, নহ'লে নাপাবা।"

ভূধৰে দুৰ্ধৰৰ ইচ্ছা পূৰণ কৰিলে, তাৰ পাছত টকা এহেজাৰ লৈ পুনৰ নমস্কাৰ কৰি খোজ ল'লে।

এজোপা গছৰ তলত থিয় হৈ নৰধৰে এইবোৰ কথা-কাণ্ড চাই আছিল। নৰধৰে ভূধৰক ৰখালে আৰু ক'লে, "চেঃ চেঃ, কৰ্জাৰ ধনৰ বাবে ভৰিত দীঘল দি পৰি সাষ্টাংগ কৰিবলগা হ'লনে ? চেঃ !"

ভূধৰে ক'লে, "দুৰ্ধৰেও এই কৰ্জাৰ ধন উচুল কৰিব লাগিব নহয় ? তেতিয়া চাবা—দুৰ্ধৰক মই কিমানবাৰ সাষ্টাংগ কৰাওঁ।"

ভাৰতৰ পোৱাল-সাগৰবালিলৈ

ৰচন : মীৰা নায়াৰ • চিত্ৰণ : গৌতম সেন

কেৰলৰ কোচি অঞ্চৰ দুশৰপৰা চাৰিশ কিল'মিটাৰৰ পশ্চিমত লাক্ষাদ্বীপপুঞ্জ অৱস্থিত, যিখন হ'ল ভাৰতৰ একমাত্ৰ পোৱাল-দ্বীপ।

লাক্ষাদ্বীপপুঞ্জ হ'ল ৩৬ দ্বীপৰ সমষ্টিমূলক এক সুৰম্য দ্বীপপুঞ্জ, যি লাক্ষাদ্বীপ ভাৰতৰ ক্ষুদ্ৰতম কেন্দ্ৰ-শাসিত ৰাজ্য হিচাপে ১৯৫৬ চনত ভাৰতৰ সৈতে সংযুক্ত হৈছিল। ১৯৭৪ চনত এই প্ৰবাল দ্বীপপুঞ্জৰ নাম হৈছিল—লাক্ষাদ্বীপ। তাৰ আগলৈকে লাক্কাদিভি, আমিনিদিভি, মিনিকয় দ্বীপপুঞ্জ বুলি অভিহিত হৈছিল।

এই দ্বীপপুঞ্জৰ ৩৬খন দ্বীপত কেৱল ১০খন দ্বীপৰ মাজত মানুহৰ বসতি আছে। এই দহখন দ্বীপ হ'ল যথাক্ৰমে—আমিনি, অ্যান্দ্ৰত্ত, আগাত্তি, বিত্ৰা. চেত্‌লাত, কাদ্‌মাত, কাল্‌পেনি, কাৱাৰাত্তি, কিল্‌তান আৰু মিনিকয়।

এই দ্বীপসমূহৰ প্ৰথম অধিবাসীসকল আছিল কেৰলীয়। তেতিয়া কেৰল আছিল কেৰলৰ শেষ শাসক চেৰমান পেৰুমলৰ অধীন, যিগৰাকী শাসকে ইছলাম ধৰ্মলৈ বিশ্বাসহেতুকে মক্কালৈ গৈছিল। ক্যান্নানোৰৰ ৰজাই পেৰুমলক মক্কালৈ যোৱাৰপৰা বিৰত কৰিবৰ বাবে সৈন্য প্ৰেৰণ কৰিছিল, কিন্তু সেই সৈন্যবাহী নাৱনাও সামুদ্ৰিক শিলত বাধা পাই বাধ্যত পৰি উভতি আহিছিল।

উভতি যাওঁতে সেই সাগৰীয় অঞ্চলত কিছুমান অপূৰ্বসুন্দৰ দ্বীপ দেখা পাই সৈন্যইতে সেই কথা ৰজাক কৈছিলগৈ, আৰু ৰজাৰ অনুমোদনক্ৰমে সেইবোৰ দ্বীপত জন-বসতিৰ পত্তন হৈছিল।

আমিনি আছিল জন-বসতিৰ প্ৰথম দ্বীপ, ৩ কি. মি. দীঘল আৰু প্ৰায় ১·৭ কি. মি. বহল।

লাক্ষাদ্বীপপুঞ্জৰ উচ্চতম দ্বীপ হ'ল আগাত্তি দ্বীপ। আগাত্তি হ'ল একেবাৰে পশ্চিম-সীমামূৰীয়া দ্বীপ।

১৯৮৮ চনৰপৰা এই দ্বীপক মূল ভূখণ্ড ভাৰতৰ বিমানপথৰ সৈতে যুক্ত কৰা হৈছে—বিমানপথৰ অন্যতম বাহন বায়ুদূতৰ যোগেদি।

আমিনিৰ দক্ষিণ-পূৰ্বত অৱস্থিত আন্দ্ৰত্ত দ্বীপৰ অধিবাসীসকলে—পোন প্ৰথমতে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল।

আজিৰ লাক্ষাদ্বীপৰ প্ৰায় ৫১৬৮০ জন অধিবাসীৰ ৯৪% ভাগেই মুছলমান।

অ্যান্দ্ৰোত্তৰ নাৱৰীয়া।

© Amrita Bharati, Bharatiya Vidya Bhavan, 1996

কাৱাৰাত্তিৰ উজৰা মছজিদ।

ইছলাম ধৰ্মই কেনেকৈনো লাক্ষাদ্বীপত শিপালে? জনশ্রুতি এয়ে যে, হজৰত উবাইদুল্লাহ্ নামৰ এগৰাকী আৰব সাধুব্যক্তিয়ে এই সপোন দেখিছিল যে—ধৰ্মগুৰু মহম্মদে তেওঁক দূৰ-দূৰণিলৈ ইছলামৰ প্ৰচাৰ কৰিবলৈ আদেশ প্ৰদানিছে। এই স্বপ্নাদেশমতে—উবাইদুল্লাহ্ ইছলাম-প্ৰচাৰলৈ ওলাল, কিন্তু তেওঁৰ জাহাজ সামুদ্ৰিক ধুমুহাত বুৰিল। জাহাজৰ কাঠ এচটাত ধৰি উটি-ভাহি আঁহি আহি তেওঁ এই আমিনি দ্বীপ পাইছিলহি।

কিন্তু আমিনিত উবাইদুল্লাহ্ই ইছলাম-প্ৰচাৰত ব্যৰ্থতাহে আৰ্জিছিল, যদিও সন্নিহিত—আন্দ্ৰত্ত, কাৱাৰাত্তি, কালপেনি দ্বীপত তেওঁ সফল হ'ল। তেওঁ আন্দ্ৰত্ততে দেহৰক্ষা কৰিছিল। এই স্থানৰ জুমা মছজিদত তেওঁক সমাহিত কৰা হৈছিল।

লাক্ষাদ্বীপপুঞ্জৰ সৰ্ববৃহৎ দ্বীপ হ'ল আন্দ্ৰত্ত। সমগ্ৰ দ্বীপখনেই নাৰিকল গছেৰে আগুৰা আৰু নাৰিকলৰ শুকান শাহ হ'ল এই দ্বীপৰ তথা এই দ্বীপসমূহৰো উল্লেখযোগ্য উৎপন্নদ্ৰব্য।

লাক্ষাদ্বীপপুঞ্জৰ ৰাজধানী হ'ল কাৱাৰাত্তি। কাৱাৰাত্তি আমিনি আৰু আন্দ্ৰত্তৰ মাজত অৱস্থিত। কাৱাৰাত্তি দীঘলে ৬ কিল'মিটাৰ আৰু বহলে প্ৰায় ১ কিল'মিটাৰ। এই কাৱাৰাত্তিয়েই হ'ল লাক্ষাদ্বীপপুঞ্জৰ সৰ্বাধিক সমৃদ্ধ দ্বীপ আৰু সৰ্বাধিক অনা-লাক্ষাদ্বীপীয় লোকৰ বসবাস। সকলো চৰকাৰী দপ্তৰৰ কৰ্মচাৰীসকলো কাৱাৰাত্তিত বসবাস কৰে।

কাৱাৰাত্তিৰ শিল্পী-কাৰিকৰসকলৰ সুদক্ষতাৰ প্ৰমাণ উজৰা মছজিদত পৰিলক্ষিত হয়। কেন্দ্ৰ-শাসিত অঞ্চলত থকা ৫২টি মছজিৰ মাজত উল্লেখ-যোগ্য এই মছজিদ ১৬৭০ চনত নিৰ্মিত হৈছিল।



উজৰা মছজিদৰ ভিতৰ-চালৰ কাঠ-খোদাই কাৰুকাৰ্য্য।

এই মছজিদ পানীৰে ভহাই অন্য কাঠেৰে সজা হৈছিল। এই মছজিদ ৰঙা আৰু সেউজীয়া ৰঙেৰে সজোৱা। ইয়াত থকা এটি নাদৰ পানী ৰোগ-আৰোগ্যকাৰী বুলি জনাজাত।

কাৱাৰাত্তিৰ দক্ষিণত কালপেনি দ্বীপ, যিখন দ্বীপক আৰবীয় লোকসকলে 'কোলফানি' বুলি লিখে আৰু কয়। কালপেনি হ'ল আৰবলৈ যোৱা সাগৰীয় পথত অৱস্থিত দ্বীপ। কালপেনি দ্বীপ হ'ল অসংখ্য বাম হ্ৰদৰ সমাহাৰ। কালপেনিৰ তিনিখন উপদ্বীপ আছে—চেৰিয়াম, টিয়ালাক্কাম, পিত্তি।

পিত্তিক 'পক্ষী-পিত্তি' বুলিও কোৱা হয়। পক্ষী-পিত্তি নামৰ এই চৰাই-উপদ্বীপ ভ্ৰমণাৰ্থীসকলৰ বাবে অতি আকৰ্ষণীয়। মূল দ্বীপৰপৰা এই উপদ্বীপটিলৈ যাবলৈ হ'লে ৫০ মিটাৰমান সাঁতুৰি যাব লাগে। এই উপদ্বীপত ঘঁাহো নোপজে। এই উপদ্বীপৰ হাজাৰ-বিজাৰ অধিবাসী হ'ল সামুদ্ৰিক চৰাই—যিহঁতৰ অধিকভাগেই হ'ল গঙা-চিলা।

দুবিধৰ গঙা-চিলা ইয়াত পৰিলক্ষিত হয়। ইহঁতে বালিত বা শিলৰ গাত বাহ সাজে। ইহঁতৰ কণী প্ৰায় কুকুৰাৰ কণীৰ আকাৰৰ হয়, কিন্তু কণীৰ ওপৰত ক'লা বা কপিলা বৰণৰ দাগ দেখা যায়। আমিনি আৰু আন্দ্ৰত্তৰ অধিবাসীসকলৰ অতি প্ৰিয় খাদ্য আছিল এইবোৰ গঙা-চিলাৰ মঙহ, আৰু সেইহে বিশেষকৈ এই দুখন দ্বীপৰ অধিবাসীসকলে ঘনাই পিত্তিলৈ আহিছিল গঙা-চিলাহঁতক ধৰিবলৈ। কিন্তু সম্প্ৰতি চৰকাৰে পিত্তিক অভয়াৰণ্য বুলি ঘোষণা কৰাত এই পক্ষীহঁত ৰক্ষা পৰিল।

গঙাচিলাবোৰ মাছমৰীয়াহঁতৰ বাবেও অতি উপকাৰী। গঙাচিলাবোৰে সাগৰত থকা মাছৰ জাক দেখুৱাই দিয়াত মাছমৰীয়াহঁতক বাৰুখিনি সহায় কৰে। মাছমৰীয়াহঁতে জানে যে—গঙাচিলা য'ত জাক পাতি থাকে, সাগৰৰ মাছৰ জাকো তাতেই নিশ্চয় থাকিব।

লাক্ষাদ্বীপপুঞ্জৰ একেবাৰে দক্ষিণমূৰীয়া দ্বীপ হ'ল মিনিকয়। ত্ৰয়োদশ শতিকাৰ বিখ্যাত ভ্ৰমণকাৰী মাৰ্কো পোলো-ই মিনিকয় দ্বীপক 'নাৰী-দ্বীপ' বুলি অভিহিত কৰিছে, কিয়নো, এই দ্বীপৰ প্ৰায় ভাগ মতা মানুহেই হ'ল নাবিক, আৰু সাগৰৰ বুকুতে জীৱনৰ অধিকভাগ অতিবাহিত কৰে।

সেই প্ৰাচীন দিনৰপৰা আজিলৈকো এই দ্বীপৰ অধিবাসীহঁতৰ জীৱনধাৰাৰ বৰ বেছি ইফাল-সিফাল হোৱা নাই। মতা মানুহসকল মাছধৰাৰ কাম, বা অন্য কামত সাগৰৰ বুকুত কটায়, আৰু দ্বীপৰ ভূখণ্ডৰ কাম-কাজবোৰ তিৰোতাসকলেই চম্ভালে—কি দপ্তৰ কামত কি খেতি-বাতিত—সকলোতে নাৰীসকলেই সকলো।

মিনিকয় দ্বীপৰ অধিবাসীসকলৰ সাজ-পাৰ অন্যান্য দ্বীপৰ অধিবাসীসকলতকৈ বেলেগ।

এই দ্বীপৰ মতামানুহসকলে জিন্‌ছ আৰু

পিত্তিৰ নিৰ্জ্জ প্ৰকৃতিৰ গঙা-চিলা।

টি-শ্বার্ট পিন্ধে, আৰু তিৰোতাসকলে ইটাগুড়ীয়া ৰঙা ৰঙৰ সাজ-পাৰ পিন্ধে, মূৰত ক'লা বা বগা কাপোৰ মেৰিয়ায়। আনকি সৰু সৰু ছোৱালী-বিলাকেও মূৰত কাপোৰ লয়।

অন্যান্য দ্বীপৰ মতা মানুহবিলাকে 'লুঙ্গি' পিন্ধে আৰু তিৰোতাবিলাকে বন-কৰা ব্লাউজ আৰু 'কাচি' নামৰ মেখেলাহেন পোছাক পিন্ধে আৰু কঁকালত পিন্ধে পেটী।

মিনিকয়ৰ অধিবাসীসকলে 'মাহি' নামৰ দোৱানেৰে মাত-বোল কৰে। অন্যান্য দ্বীপত ঘাই ভাষা হ'ল—মালয়ালম।

জনশ্ৰুতি এয়ে যে—এই দ্বীপুঞ্জৰ প্ৰাচীন অধিবাসীসকলৰ এক বৃজনভাগেই গুজৰাট অঞ্চলৰপৰা আহিছিল। এইসকল অধিবাসীক 'টাকৃৰু' বুলি কোৱা হয়, যি-টাকৃৰু—প্ৰকৃতপক্ষে 'ঠাকুৰ'ৰ পৰিৱৰ্তিত ৰূপ যেন লাগে। এওঁলোকৰ জীৱনধাৰাতো আজিৰ গুজৰাটীসকলৰ আচাৰ-আচৰণ কিছু পৰিমাণে আজিও পৰিলক্ষিত হয়।



লাক্ষাদ্বীপপুঞ্জৰ নাৰী।

এওঁলোকৰ ঐতিহ্যবাহী নৃত্য 'ডংগি' হ'ল গুজৰাটৰ 'ডাণ্ডিয়া ৰাসৰ সমতুল্য।

মিনিকৰ, লক্ষাদ্বীপপুঞ্জৰ অন্যান্য দ্বীগৰ দৰেই মাতৃতান্ত্ৰিক। এই কাৰণে, এইবোৰ স্থানৰ নাৰীসকলে মূল ভূখণ্ড ভাৰতৰ অন্যান্য স্থানৰ নাৰীসকলৰ তুলনাত অকিকৰা অকিধ পৰিমাণে সামাজিক সুবিধা আৰু অন্যান্য বহুবিধৰ সা সুবিধা ভোগ কৰে।

ৰাৰেৰিসকলৰ 'লাভা'-নৃত্য। এওঁলোকেই মিনিকয় দ্বীপৰ আদিম অধিবাসীৰূপে গণ্য।



সদানন্দতাৰ সঁচাৰকাঠী

নিত্যানন্দ আছিল সদা-সন্তুষ্ট মানুহ। সি লোকৰ ঘৰত ঘৰুৱা কাম-বন কৰিয়েই পেট প্ৰৰৰ্তাইছিল। নিতাাই বেজাৰ হোৱা কোনেও কোনো-কাহানিও দেখা নাছিল। সেই কাৰণে তাক সকলোটিয়েই 'সদানন্দ' বুলি কৈছিল।

এদিন এই ঠাইলৈ—বিশালপুৰলৈ—ধনেশ নামৰ ধনিক মানুহ এগৰাকী আহিল তেঁওঁৰ চিকিৎসকৰ পৰামৰ্শমতে বায়ু-পৰিৱৰ্তনৰ বাবে। তেওঁ এক দুৰাৰোগ্য বেমাৰত পৰি মৃত্যুৰ দুৱাৰডলি প্ৰায় পাইছিলেইগৈ; পিছে —বৈদ্যৰ সুচিকিৎাৰ গুণত কথমপি যমৰ হাত শাৰিল আৰু বৈদ্যৰ পৰামৰ্শমতেই স্বাস্থ্য-পৰিৱৰ্তনলৈ এইখন বিসালপুৰলৈ,আহিল।

ধনেশ ডাঙৰীয়াই বিশালপুৰ গাঁৱৰ বিৰাট ঘৰ এটা ভাড়ালৈ ল'লে আৰু ৰান্ধি বাঢ়ি দিবৰ বাবে এজন ৰান্ধনিকো মকৰল কৰিলে।

বৰ কম দিনতে ধনিক ধনেশ ডাঙৰীয়া বিশালপুৰত বিখ্যত হৈ পৰিল, আৰু গাঁৱৰ গাঁওবুঢ়া আৰু অন্যান্য গণ্যমান্য লোকসকলেও, ধনেশ ডাঙৰীয়াৰ ঘৰলৈ অাহা-যোৱা উঠা-বহা কৰিবলৈ ধৰিলে।

ধনেশ ডাঙৰীয়া ধনিক, কিন্তু সদায়-চিন্তিত, সদা-বিবাদিত ধনিক ধনেশক কোনেও কোনো-কাহানিও প্ৰফুল-উৎফুল্ল দেখা নাই। এই কথাটোলৈ আহ-যাহ কৰাসকলে মন নকৰাকৈ নাছিল।

এদিন গাঁওবুঢ়া দণ্ডধৰে কথাটো ধনেশ ডাঙৰীয়াক সুধিয়েই পেলালে। ধনেশ ডাঙৰীয়াই গাঁওবুঢ়াৰ প্ৰশ্নৰ উত্তৰত

প্ৰভাকৰ পাঠক



বেজাৰ মুখেৰে ক'লে যে—তেওঁৰ জীৱনত একোৰেই অভাৱ নাই, কিন্তু তথাপি যে জীৱনত কিয় আনন্দ নাই তেওঁ বুজি নাপায়।

তেতিয়া গাঁওবুঢ়াই সদানন্দ নিত্যানন্দক কামত ল'বলৈ ধনেশ ডাঙৰীয়াক ক'লে। গাঁওবুঢ়াই ক'লে, "আপুনি যদি নিত্যানন্দক কামত লয়, তাক দেখি আপুনিও আনন্দত থাকিবলৈ শিকিব যে—সেই কথা দেখা-কথা।

গাঁওবুঢ়াৰ পৰামৰ্শ ধনেশ ডাঙৰীয়া মানি লৈছিল, নিত্যানন্দক কামত লৈছিল, আৰু নিত্যানন্দয়ো তাৰ সুনাম অনুসাৰেই ধনেশ ডাঙৰীয়াৰঘৰত কাম-বন কৰিছিল, তেওঁৰ সেৱা-যত্ন কৰিছিল, যাৰ ফলত, ধনেশ-ডাঙৰীয়ায়ো নিত্যানন্দৰ প্ৰশংসাত পঞ্চমুখ হৈছিল।

কিন্তু তথাপি, সদানন্দ নিত্যানন্দক পায়ো, ধনেশ ডাঙৰীয়া সেই দীঘল-ঠুঁটীয়া সদা-বেজাৰ-বিতুষ্ট ধনেশ চৰাইৰ দৰেই—পাকৈটোঁৰাৰ দৰেই হৈ থাকিল।

আৰু তেওঁৰ ইমান বেজাৰৰ কাৰণ কি বুলি এদিন নিত্যানন্দয়ে যেতিয়া সুধিয়েই পেলালে, তেতিয়া ধনেশ ডাঙৰীয়াই পূৰা-পাকা পাকৈটোঁৰাটিৰ দৰে সুগম্ভীৰ মাতেৰে ক'লে যে এইটি কাৰণ তেওঁ নিজেও ক'ব নোৱাৰে। তেওঁ নিত্যানন্দক ঘূৰাই সুধিলে যে—তাৰ সদানন্দিত হৈ থকাৰ ৰহস্য কি ?

নিত্যাই ক'লে, "পৃথিৱীখনেই আনন্দৰ ভঁৰাল। ইমান আনন্দৰ ভঁৰালৰ মাজত থাকিও আপুনি যে কেনেকৈ নিৰানন্দ হৈ থাকে—সি-ও এক সাঁথৰেই।" এই বুলি কৈ সদানন্দ নিত্যানন্দই মিচিক-মাচাককৈ হাঁহি থাকিল।

মুহূৰ্ত্তমানলৈ মৌন হৈ থকাৰ অন্তত ধনেশ ডাঙৰীয়াই লাহেকৈ ক'লে, "দুখ-বেজাৰ কাক বোলে—সঁচাকৈ মই জনাই নাছিলোঁ। চিন্তা কী বস্তু—তাৰ তো খবৰেই নাছিল। ডাঙৰ হৈ, মাত্ৰ এশ-টকাৰ পুঁজিৰে বেপাৰত ধৰিছিলোঁ। এতিয়া মই কৌটিপতি, কিন্তু তেও এগুটি

সুখ বা আনন্দও নাপালোঁ। মোৰ ঘৰ-পা-পৰিয়াল সকলো আছে, তথাপি মই অকলশৰীয়া। দেখিছাই—মোৰে লগত আন কোনো নাই। এনেহেন পৰিস্থিতিত কেনেকৈনো মই আনন্দ পাব পাৰোঁ?"

তেওঁৰ কথাৰ উত্তৰত নিত্যানন্দই হাঁহি-মুখেৰেই ক'লে, "আপুনি ইয়াত আছেহি, কিন্তু আপোনাৰ আন সকলোটিয়ে মিলি যে আপোনাৰ বেহা-বেপাৰবপৰা আৰম্ভ কৰি ঘৰৰো কাম-কাজৰ চেরা-মেলা কৰিছে তাৰেও আপুনি সুখ বা আনন্দ বোধ কৰিব পাৰে।"

ধনেশ ডাঙৰীয়াই নিত্যানন্দৰ এই কথাৰ কোনো উত্তৰ নিদিলে। তেওঁ নিত্যানন্দৰ আনন্দময়তাত ঈৰ্ষান্বিত হৈ উঠিল। নিত্যানন্দৰ আনন্দলৈ চাই তেওঁৰ বেজাৰ যেনিবা দুগুণ হৈ উঠিল।

আৰু এদিন এই কথাটো তেওঁ গাঁওবুঢ়াক কৈয়েই পেলালে।

গাঁওবুঢ়াই ক'লে, "আপোনাৰ নিৰানন্দময় জীৱনৰ কথা ময়ো নভবা নহয়। আৰু—আপোনাৰ আনন্দপ্ৰাপ্তিৰ বাবে মই এক উপায়ৰ কথা চিন্তা কৰিছোঁ। আপুনি প্ৰতিদিনেই নিত্যানন্দক্ কৰ্কথনা কৰক, আৰু তাক গালি-ছালি পাৰি পাৰি তাৰ মুখৰ হাঁহি বন্ধ কৰক, তেতিয়া আপুনি কিঞ্চিত সুখৰ মুখ দেখিব।"

আৰু তেতিয়াৰপৰা ধনেশ ডাঙৰীয়াই নিত্যানন্দক অবাবতেই গালি-গালাজ কৰিবলৈ ধৰিলে ; কিন্তু তাৰে নিত্যানন্দৰ

হাঁহি-মুখক তেওঁ বেকেটাৰ নোৱাৰিলে। শেষলৈ তেওঁ নিত্যানন্দক নিলাজ কুকুৰ বুলিও গালি পাৰি চালে।

কিন্তু নিত্যানন্দই তথাপি হাঁহি-মুখেৰেই কাম কৰি থাকিল। তাৰ পাছত ধনেশ ডাঙৰীয়াই নিত্যানন্দক গাহৰি বুলি গালি পাৰিলে, ম'হ বুলি ক'লে, তাৰ পাছত গাধ বুলিও কৰ্কথিলে। আৰু—তথাপি যেতিয়া সি হাঁহি হাঁহি কাম-বন কৰি থাকিল, তেতিয়া ধনেশ ডাঙৰীয়াই অধিক উত্তেজিত হৈ কৈ উঠিল, "মই তোমাক গুৱালগালিৰেও দেখিছোঁ—টলাব পৰা নাই। ইমান গালি খায়ো কেনেকৈনো তুমি হাঁহি আছাহে?"

"শুনক মালিক —" নিত্যানন্দই ক'লে, মোক আপুনি যে কুকুৰ বুলি কৈছিল—কুকুৰ হ'ল বিশ্বাসৰ প্ৰতীক।

ম'হ বা গাধ আদি হ'ল মহা উপকাৰী জন্তু। গতিকে—আপুনি মোক গালিৰ অন্তৰালত প্ৰশংসাহে কৰিছিল।"

এই কথা শুনি ধনেশ ডাঙৰীয়াৰ থং আৰু চৰিহে গ'ল। তেওঁ স্থিৰ কৰিলে যে —যেনেকৈয়েই নহওক — নিত্যানন্দৰ আনন্দক তেওঁ নোহোৱা কৰিবই। তেওঁ নিত্যানন্দক গুৱালগালি পাৰি থাকিল; কিন্তু নিত্যাই তথাপি হাঁহিমুখীয়া হৈয়েই কামবন কৰি থাকিল।

তেতিয়া সত্যৰান নামৰ মানুহ এজনে নিত্যানন্দক ক'লে, "হাৰে নিত্য, তুমি ইমানকৈ গালি-ছালি সহিও কিয় সেই ধিকাৰ নোহোৱা ধনেশৰ তাত কাম কৰি আছাহে?"

"মোক তেওঁ গালি পাৰিছে হয়, কিন্তু কাম এৰি গুচি যাবলৈ কোৱা নাই নহয়? সৰুতে — দেউতায়ো তেনেকৈ গালি পাৰিছিল, কিন্তু মই গুচি গৈছিলোঁনে দেউতাক এৰি? আৰু বিশেষকৈ এগৰাকী বেমাৰী মানুহক এৰি গুচি যোৱাটো হ'ব অতি অধৰ্মৰ কথা। নহয়নে বাৰু?" নিত্যানন্দই হাঁহিৰে সৈতেই ক'লে।

সত্যৰানে নিত্যানন্দৰ এই কথাৰ উত্তৰ দিবলৈ লওঁতেই ধনেশ ডাঙৰীয়া দুৱাৰৰ আঁৰৰপৰা ওলাই আহিল আৰু ক'লে, "ৰ'ব, আমাৰ নিত্যানন্দ কিয় সদায় সদানন্দ হৈ থাকিব পাৰে, কিয় সি সদাতুষ্ট হৈ থাকিব পাৰে, নিত্যানন্দই সকলো কথাৰ ভালখিনিকে লয়, আৰু বেয়াখিনিলৈ ঘূৰিও নোচোৱা হয়—। সি যি কামকে নকৰে — অতি ভালকৈ দায়িত্বৰে কৰে, আৰু সেই কামত তৃপ্তি লভে। আৰু সি তাৰ কোনো কামক পৰোপকাৰ কৰা বুলি নাভাৱে, কৰ্তব্যকৰ্ম বুলিহে ভাবে। সি কেতিয়াও আনৰপৰা অনুচিত প্ৰাপ্য আশা নকৰে, আৰু সি তাৰ নিজৰখিনিৰেই তুষ্ট হৈ থাকে। আৰু তাৰ এই অল্পতুষ্ট মনোভাবেই হ'ল তাৰ সন্তুপ্তিৰ তাৰ সদানন্দতাৰ সঁচাৰকাঠী।"



সোণালী দুৱাৰৰ প্ৰশ্নাৱলী-৭



এই সমাধি-সৌধ হ'ল বিজাপুৰ ৰাজ্যৰ এক উল্লেখযোগ্য শাসকৰ সমাধি। এই সৌধ কোনে নিৰ্মাইছিল। সৌধৰ বিশেষত্ব কি ?

অসমৰ এখন সৰু গাঁৱত, ছেপটে'ম্বাৰ-অকট'বাৰ মাহৰ এন্ধাৰ আৰু কুঁৱলীৰে ভৰা ৰাতিৰ পৰত চৰাইহঁত তীব্ৰ গতিৰে আকাশৰপৰা পোহৰ-উজলা ঠাইলৈ নামি আহে আৰু কেইবাদিনো ধৰি মূৰ্ছিত হৈ থাকে। এই ৰহস্যৰ সমাধান অদ্যাপি কোনেও কৰিব পৰা নাই। সেই গাঁওখনৰ নাম কি ?

দেখাত ফুলৰ পাপৰিহেন এই অট্টালিকাখন হ'ল দিল্লীস্থিত এখন পূজা-গৃহ। এই পূজা-গৃহ পৃথিৱীৰ নৱীনতম ধৰ্মগুৰু এগৰাকী পাৰ্শী লোকৰদ্বাৰা প্ৰতিষ্ঠিত। এই ধৰ্মৰ নাম কি ?

চিত্ৰত থকা এই ডায়নোছোৰ পাঁচ ভাগত কাটি লোৱা আৰু তাৰে এটি হাতী সজোৱা।



টুথব্ৰাছেৰে কৰাঁ ৰং

মাত্ৰ এডাল টুথব্ৰাছেৰে বিধোবিধে ৰং ছটিয়াই ধুনীয়াবো ধুনীয়াকৈ বিভিন্ন ধৰণৰ চিত্ৰ সৃষ্টি কৰিব পাৰা।



এডোখৰ ড্ৰয়িং পেপাৰৰ ওপৰত কিছুমান সহজ-সৰল নক্সা আঁকি লোৱা। ড্ৰয়িংপেপাৰডোখৰৰ চাৰিওফালে নানাবিধৰ ওজনদাৰ বস্তু দিয়া, যাতে পেপাৰডোখৰ লৰচৰ নকৰে।

এখন প্লেটত অকণমান পানী লৈ সেই পানীৰ সৈতে সামান্যমান ৰং মিহলাই লোৱা। টুথব্ৰাছৰ নোমবিলাক সেই পনীয়া ৰঙত ডুবোৱা। ড্ৰয়িংপেপাৰৰ ওপৰত টুথব্ৰাছ দাঙি ধৰা, হাতৰ বুঢ়া আঙুলিৰে ব্ৰাছৰ নোমবোৰ পিছলৈ হেঁচি চেপি ধৰা. আৰু পাছত সহজভাৱে আঙুলি এৰি দিয়া। ড্ৰয়িংপেপাৰৰ ওপৰত ৰং ছটিয়াই পৰিব, আৰু তেতিয়া দেখিবা—কিমান সহজ উপায়েৰে গোটেইখন ড্ৰয়িংপেপাৰ ধুনীয়াকৈ চিত্ৰিত হৈছে।

এইদৰে কাপৰোৰ ওপৰতো ৰং কৰিব পাৰা কাপোৰ ৰং-কৰিবপৰা ৰঙেৰে আৰু ফোটো ট্ৰ্যান্সপাৰেণ্ট ৰঙেৰে। পোনতে যিকোনো এবিধ ৰঙেৰে চেষ্টা কৰি চোৱা। ধৈৰ্য্যৰে ৰং ছটিয়ালে বিধোবিধ নক্সা কৰিব পাৰি।

গ্ৰিটিং কাৰ্ডত গছ



ইয়াত ভাঁজ কৰা

১. চাৰিচুকীয়া ৰঙীন কাগজ এডোখৰ লোৱা আৰু চিত্ৰত দেখুৱামতে ভাঁজ কৰা।

২. কাগজডোখৰ তলৰ ভাগৰ তিনি ভাগমান কাটি পেলোৱা আৰু পাছত সোঁমাজতো লপকৈ কাটি দিয়া।

৩. এফালে এইদৰে ভাঁজ কৰা আৰু পাছত কাগডোখৰৰ বহলৰ ফালে ভাঁজবোৰ অগা-পিছাকৈ কৰি থাকা।



৪. তোমাৰ গ্ৰিটিং কাৰ্ডৰ গছ এইবাৰ ওপজিল। এই গছ গ্ৰিটিংকাৰ্ডৰ সোঁমাজত এঠাৰে লগাই দিয়া। ওপৰৰ ভাঁজ-বিলাকতো ঠায়ে ঠায়ে যোৰা দিয়া—যাতে গ্ৰিটিং কাৰ্ডত গছজোপা চকুত পৰা হয়।

খেলিমেলি কমিক্‌ছ

এই চিত্ৰবোৰত বিখ্যাত ছিন্দবাদ নাবিকৰ কাহিনী কোৱা হৈছে। কিন্তু চিত্ৰবোৰ খেলিমেলিকৈ দিয়া হৈছে। চিত্ৰবোৰ ঠিকমতে সজোৱাচোন…।



তিনিও সহজ পদ্ধতিৰে গঁড় আঁকা

সোণালী দুৱাৰ ৬-ৰ উত্তৰ:



১. কাৰেল কাপেক। এওঁৰ R.U.R. নাটকত 'ৰোবোট' শব্দটো পোন প্ৰথমে ব্যৱহৃত হৈছিল।

২. মাগ্লেৱ ৰেলগাড়ীৰ চকা নাই। মাগ্লেৱ-ট্ৰেইন হ'ল চৌম্বক-গাড়ী। এইবোৰ গাড়ী চৌম্বক ৰেল-আলিৰ ওপৰেদি চলে।

৩. টেলিভিজনৰ পৰ্দাত যিমানেই বং দেখা নাযাওক - সেইবোৰ কেৱল ৰঙা, সেউজীয়া আৰু নীলাবৰ্ণৰ সৃষ্টি হয়। এইবোৰ মুখ্য ... বিন্দুবোৰ সম্মিলিত হৈ বিধেবিধ ৰঙৰ সৃ...

৪. বেন্‌জামিন ফ্ৰাংকলিন। তেওঁৰ ... নিৰীক্ষাই বহুতৰ জীৱন ৰক্ষা কৰিলে ... বিজুলীৰ

ৰোবোট-গণনা

তাত ৯টা আল্‌ফা ৰোবোটে ১৮ খন মটৰ নিৰ্মাণ কৰে, ১৮ বিটা ৰোবোটে ২৭ মটৰ আৰু ২৭ গামা ৰোবোটে এদিনে ৯খন মটৰ নিৰ্মাণ কৰে।

৫. ২০০০ চন এক বিশেষ ব্যতিক্ৰম। কিয়নো শতাব্দী-বৰ্ষবোৰ ৪০০ৰে ভাগ হৈছে এটা লিপ্‌-ইয়াৰ হ'ব।

৬. 'পিম্‌ছোল-লাইন' হ'ল জাহাজত কিমান ওজন উঠোৱা হৈছে তাৰ পৰিমাপক যন্ত্ৰ—যি-যন্ত্ৰ জাহাজৰ বাহিৰা-ফালত থাকে। পানীৰ উচ্চতাই এই পিম্‌ছোল-লাইন অতিক্ৰম কৰিব নালাগে।

৭. দানৱটোৰ নাম 'ফ্ৰ্যাংকেস্টাইন' বুলি ক'লে ভুল হ'ব। কিয়নো—সেই দানৱটোৰ সৃষ্টিকাৰী বিজ্ঞানীৰ নামহে ফ্ৰ্যাংকেস্টাইন।

২০

অৰ্জুনক ইন্দ্ৰৰ সিংহাসনত ইন্দ্ৰৰ কাষতে অসীন হৈ থকালৈ চাই ৰোমশ নামৰ মহৰ্ষিয়ে যেতিয়া বিস্ময়ভৰা দৃষ্টিৰে চালে, তেতিয়া দেৱৰাজ ইন্দ্ৰই মৃহু মৃহু হাঁহিৰে মহৰ্ষিক ক'লে, "হে, মুনিশ্বৰ, অৰ্জুন কোনো সাধাৰণ মানৱ নহয়। পূৰ্বজনমত অৰ্জুন আছিল 'নৰ' নামক মহৰ্ষি। নাৰায়ণ নামক মহৰ্ষিৰ সৈতে নৰ মহৰ্ষিয়েও সহস্ৰ বৎসৰ জোৰা তপস্যা কৰিছিল বদৰিকা বনত। মহঋষি নাৰায়ণ পূৰ্ব জনমত আছিল মহামুনি কপিল। নৰ আৰু নাৰায়ণে ভূ-ভাৰ লাঘৱ কৰিবলৈ অৰ্জুন আৰু কৃষ্ণৰূপে জনম ল'লে। পাতাল-লোকত নিৱাতকৱচ নামৰ যি দৈত্যই অত্যাচাৰ কৰি আছে, অৰ্জুনে সেই নিৱাতকৱচক নাশিব। সেই কাৰণেই অৰ্জুনক ইয়ালৈ মতাই অনোৱা হৈছে। তুমি ভূলোকৰ কাম্যক-বনলৈ গৈ ধৰ্মৰাজক অৰ্জুনৰ সম্বাদ দিয়া।"

ইপিনে—ব্যাসে ধৃতৰাষ্ট্ৰক কৈছিল যে অৰ্জুনে স্বৰ্গ পালেগৈ, আৰু অৰ্জুনে তাত বিধোবিধ দিব্যাস্ত্ৰও পালে।

ধৃতৰাষ্ট্ৰই সঞ্জয়ক মতাই অনাই ক'লে, "শুনা, সঞ্জয়, অৰ্জুনে স্বৰ্গলৈ গৈ দিব্যাস্ত্ৰ লভিলে। এতিয়া দুৰ্যোধন দুৰ্বুদ্ধিৰ প্ৰতিফল আমিও নিশ্চয় লভিম, আমাৰ প্ৰজাবৰ্গয়ো আলৈ-বিলৈ ভুঞ্জিব লাগিব। আৰু আৰু — এতিয়া মই নিশ্চয়কৈ ক'ব পাৰোঁ যে—মোৰ পুত্ৰসৱৰ চাউল অচিৰাৎ টুটিব।" ধৃতৰাষ্ট্ৰই হাহাকাৰ কৰি উঠিল।

সিপিনে—ধৌম্যই ধৰ্মৰাজলৈ পৰামৰ্শ

'পাণ্ডৱৰ তীৰ্থযাত্ৰা'



আগ বঢ়ালে যে—অৰ্জুন স্বৰ্গলোকৰপৰা উভতি অহাৰ পাছত পাণ্ডৱসকল তীৰ্থ-যাত্ৰালৈ ওলাওক।

আৰু তেনেতে মহৰ্ষি ৰোমশ উপস্থিত হ'লহি। মহৰ্ষি ৰোমশে ক'লে, "অৰ্জুন স্বৰ্গলোকত ইন্দ্ৰৰ সৈতে সিংহাসনত অসীন হৈ আছে, আৰু অৰ্জুনে তাত বিধোবিধ দিব্যাস্ত্ৰ লাভ কৰিছে—এই সম্বাদ মোৰ হতুৱাই দেৱৰাজ ইন্দ্ৰই আপোনালৈ প্ৰেৰণ কৰিছে।"

এই কথা শ্ৰৱণ কৰি ধৰ্মৰাজ অতিশয় হৰষিত হ'ল যে অৰ্জুনৰ যাত্ৰা পৰিপূৰ্ণ-ভাবে সফল হ'ল।

তাৰ পাছত ধৰ্মৰাজে সদলবলে তীৰ্থযাত্ৰালৈ ওলোৱাৰ আগে আগে তেওঁ-লোকৰ লগৰীয়াসকলৰ কিছুমানক হস্তিনাপুৰলৈ, আৰু কিছুমানক ৰজা দ্ৰুপদৰ ওচৰলৈ প্ৰেৰণ কৰিলে আৰু ইন্দ্ৰসেন আদি কৰি অস্ত্ৰ-শস্ত্ৰৰে সৈতে কিছুসংখ্যক যোদ্ধাক লগত ল'লে।

তীৰ্থযাত্ৰালৈ বুলি ওলাই পাণ্ডৱসকলে গোমতী-তীৰ্থ, কন্যাতীৰ্থ গোতীৰ্থ, বহুদা নদীতীৰ, ত্ৰিবেণী, গয়াক্ষেত্ৰ আদি দৰ্শন কৰিলে আৰু অগস্ত্য মুনিৰ আশ্ৰমলৈ গৈ অগস্ত্যমুনিৰ কাহিনী শ্ৰৱণ কৰিলে :

মণিমন্ত নগৰত ইল্বল আৰু বাতাপী-নামক দুই ভাই-ককাই আছিল। এই দুইজনে ব্ৰাহ্মণসকললৈ আতিথ্য প্ৰদৰ্শন কৰি তেওঁলোকক মাৰি পেলাইছিল। বাতাপীয়ে ছাগৰূপ ধাৰণ কৰিছিল, আৰু ইল্বলে সেই ছাগমাংস ব্ৰহ্মণসকলক খুৱাই 'বাতাপী, বাতাপী, ওলাই আহঁা'—বুলি মাতিছিল, আৰু লগে লগে ব্ৰাহ্মণইতৰ উদৰ ফালি বাতাপী ওলাই অহাত ব্ৰহ্মণ-সকলৰ মৃত্যু হৈছিল।

কিন্তু এবাৰ যেতিয়া অগস্ত্য মুনিকো একেই উপায়ে ইল্বলে বাতাপীৰ সহায়ত বধিব খুজিছিল, অগস্ত্য মুনিয়ে ইল্বলক কৈছিল, "এতিয়া আৰু বাতাপীক কতে পাবা। বাতাপীক মই পৰিপাক কৰি পেলালোঁ।" তেতিয়া ইল্বল শেঁতা পৰিল আৰু অগস্ত্যমুনিৰ ওচৰত কাবৌ-কোকালিৰে সেইবাৰলৈ ৰক্ষা পৰিল।

ধৰ্মৰাজে অগস্ত্যমুনিৰ বিষয়ে অন্য এক কাহিনী শুনিলে :

এবাৰ বিন্ধ্যপৰ্বতে সূৰ্য্যদেৱক ক'লে, "হে সূৰ্য্যদেৱ! তুমি সদায় মেৰু পৰ্বতৰ চৌদিশে ভ্ৰমি থকা কিয়? মই মেৰুতকৈ ডাঙৰ পৰ্বত। মোৰ তুমি চৌদিশে ভ্ৰমিবা।"

"মই ইচ্ছা কৰি মেৰুপৰ্বতৰ চৌদিশে ভ্ৰমি থকা নাই। এয়ে মোৰ বাবে নিৰ্দ্ধাৰিত পথ।" সূৰ্য্যদেৱে ক'লে।

এই কথাত বিন্ধ্যপৰ্বত ক্ৰোধিত হ'ল আৰু সূৰ্য্য-চন্দ্ৰ গ্ৰহ আদিৰ ভ্ৰমণপথত উচ্চশিৰ হৈ বাধাৰ সৃষ্টি কৰিলে, ত্ৰিলোক অন্ধকাৰাচ্ছন্ন হৈ পৰিল।

তেতিয়া দেৱতাসকলে আন কোনো উপায় নাপাই অগস্ত্যমুনিৰ ওচৰলৈ আহিল, আৰু অতি বিনম্ৰতাৰে ক'লে, "হে মুনীশ্বৰ, আপোনাৰ শিষ্য বিন্ধ্যাই ত্ৰিলোক অন্ধকাৰাচ্ছন্ন কৰি পেলাইছে। আপুনি ত্ৰিলোকক ৰক্ষা নকৰিলে অন্য কোনো উপায় নাই।"

আগস্ত্যমুনি লোপামুদ্ৰাৰ সৈতে বিন্ধ্যাপৰ্বতৰ ওচৰৈ গ'ল আৰু বিন্ধ্যক ক'লে, "মই এক গুৰুত্বপূৰ্ণ কামলৈ দক্ষিণ দেশলৈ বুলি ওলাইছোঁ। বাট এৰি দিয়াঁ।

বিন্ধ্যাই অগস্ত্যমুনিলৈ সাষ্টাংগ-প্ৰণাম আৰু বাট এৰি দিলে। অগস্ত্য মুনিয়ে বিন্ধ্যক ক'লে, "মই দক্ষিণদেশৰপৰা উভতি নহালৈকে এনেকৈয়েই থাকিবাঁ।

সেই যে অগস্ত্যমুনি বিন্ধ্যাৰ সমুন্নত শিৰ দোঁৱাই পাৰ হৈ গ'ল, তেওঁ আৰু সেই বাটেদি ফিৰি নাহিল, আৰু বিন্ধ্যয়ো আৰু উচ্চশিৰ হ'ব নোৱাৰিলে।



কালকেয় ৰাক্ষস সমুদ্ৰ নিবাসী আছিল। কালকেয়ই ৰাতিৰ পৰতে সমুদ্ৰৰপৰা উত্থিত হৈ ভূমিৰ ওপৰলৈ আহি ব্ৰাহ্মণ-সকলক যাতনা কৰিছিল। দেৱতাসকলে বহু চেষ্টা কৰিও দুৰ্দান্ত সমুদ্ৰীৰাক্ষস কালকেয়ক বধিব পৰা নাছিল। তেতিয়া দেৱতাসকলে অগস্ত্যমুনিৰ শৰণ লোৱাত অগস্ত্যমুনিয়ে একে শোহাই সমগ্ৰ সমুদ্ৰজল পান কৰিলে আৰু তেতিয়া বাধ্যত পৰি কালকেয় ভূমিৰ ওপৰলৈ আহিল। এইবাৰ দেৱতাসকলে কালকেয়ক চাৰিওফালৰপৰা আগুৰি ধৰি আক্ৰমণ কৰিলে„ কিন্তু অলৌকিক উপায়েৰে কালকেয়ই দেৱতাসকলৰ প্ৰয়াস ব্যৰ্থ কৰি পাতাললোকলৈ গুচি যবলৈ সমৰ্থ হ'ল।

তাৰ পাছত—অগস্ত্যমুনিৰ আশ্ৰমৰপৰা পাণ্ডৱসকলৰ অনেক তীৰ্থস্থানলৈ গ'ল। তেওঁলোকে গৈ গৈ কৌশিকী-নদীৰ তীৰত বিশ্বামিত্ৰ মুনিৰ আশ্ৰম পালেগৈ।

অঙ্গদেশৰ শাসক ৰোমপাদ আছিল মহাৰাজ দশৰথৰ মিত্ৰ। ৰোমপাদ যেতিয়া ব্ৰাহ্মণসকলৰ বিৰোধী হ'ল, তেতিয়া ব্ৰাহ্মণসকল ৰোমপাদৰ ৰাজ্য এৰি অন্য ৰাজ্যলৈ গুচি গ'ল। তাৰ পাছত ৰোমপাদৰ ৰাজ্যক খৰাং বতৰে কোবাই গ'ল, বৰষুণৰ চিনমাত্ৰো নোহোৱা হ'ল।

তেতিয়া ৰোমপাদে তেওঁৰ একাকী, সাদ্বন্ধুৰ পৰামৰ্শমতে সুন্দৰী কিছুমানক ঋষ্য শৃংগৰ ওচৰলৈ প্ৰেৰণ কৰি তেওঁৰ ৰাজ্যলৈ মতাই অনাই আপোন পুত্ৰী শান্তাক ঋষ্যশৃংগ সৈতে বিবাহ পাতি দিলে। ঋষ্যশৃংগৰ খৰে কোবাই যোৱা ৰোমপাদৰ ৰাজ্যলৈ ভৰি দিয়াৰ লগে লগেই বৃষ্টিয়ে স্বাভাৱিক বতৰৰ সৃষ্টি কৰিলে।

এইদৰে পাণ্ডৱসকলে অনেক তীৰ্থক্ষেত্ৰ দৰ্শন কৰি থাকিল। তেওঁলোক মহেন্দ্ৰ পৰ্বতৰ ওচৰলৈকো গ'ল। তাত অকৃতবৰ্মাই ধৰ্মৰাজক পৰশুৰাম-কথা শুনালে। হৈহয়-বংশজ কাৰ্ত্তবীৰ্য্যই দত্তাত্ৰেয়ৰপৰা সহস্ৰহস্ত পোৱাৰ বৰ লাভ কৰিছিল।

সহস্ৰহস্তযুক্ত বল-শক্তি লভি মদমত্ত কাৰ্ত্তবীৰ্য্যই পৰশুৰামৰ পিতৃ জমদগ্নিৰ আশ্ৰম ধ্বংস কৰি হোমধেনু ধৰি লৈ

গৈছিল। তাৰ পাছত পৰশুৰামে কাৰ্ত্তবীৰ্য্যক আক্ৰমণ কৰি বধ কৰিছিল।

পাছত কাৰ্ত্তবীৰ্য্যৰ পুত্ৰই জমদগ্নিক অকলশৰে পাই তেওঁৰ ডিঙি কাটিছিল। তেতিয়া পৰাশুৰমে একৈছ বাৰলৈ পৃথিৱী প্ৰদক্ষিণ কৰি য'ত যত ক্ষত্ৰিয়ক বিচাৰি পাইছিল — সেইবোৰ ক্ষত্ৰিয়ক সংহাৰ কৰিছিল।

পাণ্ডৱসকলে যেতিয়া প্ৰভাসতীৰ্থ পালেগৈ, তেতিয়া সেই সম্বাদ পাই—কৃষ্ণ, বলৰাম আদি আৰু যাদৱ সকলেও তেওঁলোকৰ লগত সাক্ষাৎ কৰিবলৈ আহিল। যাদৱসকলে পাণ্ডৱসকলক ক'লে যে কৌৰৱৰ বিৰুদ্ধে যুদ্ধত তেওঁলোকৰ বিজয় অৱশ্যম্ভাৱী।"

তাৰ পাছত পাণ্ডৱসকলে গৈ গৈ গন্ধমাদন পৰ্বত পালেগৈ। তেওঁলোকে তাতেই অৰ্জুনলৈ প্ৰতীক্ষা কৰি থাকিল।

গন্ধমাদন আছিল এক পবিত্ৰ প্ৰদেশ। এই স্থান পুষ্পময় সুশোভিত স্থান। ইয়াত পাণ্ডৱসকলে নৰকাসুৰৰ অস্থিৰ-ৰ দ'ম দৰ্শন কৰিলে।

পাণ্ডৱসকল যেতিয়া গন্ধমাদনপৰ্বতৰ ওচৰ চাপিছিল, তেতিয়া কোবাল বায়ু প্ৰবাহিত হৈছিল আৰু ধূলিয়ৰিৰো সৃষ্টি হৈছিল, আৰু তাৰ ফলত ঘোৰ অন্ধকাৰৰো সৃষ্টি হৈছিল। তাৰ পাছত নামিল সঁতা-ধৰবৰষুণ। বিজুলী-ঢেৰেকনি। পাণ্ডৱসকলে প্ৰমাদ গণিছিল। কিন্তু ৰাতি পুৱালত বৰষুণ বন্ধ হ'ল, বতৰ হ'ল প্ৰশান্ত। কিন্তু বৃষ্টিস্নাত বাটেদি খোজ কাঢ়োঁতে তীব্ৰ শীতৰ ফলত দ্ৰৌপদী অচেতন হৈ পৰিল।

ধৰ্মৰাজে দ্ৰৌপদীৰ মস্তক তেওঁৰ উৰুত স্থাপন কৰিলে, আৰু বহু সময়লৈকে তেওঁ লো বাই থাকিল।

সেই বাটছোৱা আছিল কাঁইটীয়া জোপোহাৰে ভৰা বাট, সেই বাটেদি আগ বাঢ়ি যোৱা সহজ হোৱা নাছিল। তেতিয়া ভীমে পুত্ৰ ঘটোৎকচক সুঁৱৰিলে আৰু বহু সংখ্যক ৰাক্ষস-সেনা লগত লৈ ঘটোৎকচ তৎক্ষণাৎ তালৈ আহিল। স্বয়ং

ঘটোৎকচে পাণ্ডৱসকল আৰু দ্ৰৌপদীকো কান্ধত উঠাই ল'লে আৰু বৰ বেগাই খোজ ল'লে। যেতিয়া কৈলাশৰ সমীপস্থিত বদৰিকাশ্ৰম পালেগৈ, তেতিয়া সকলোটি ভূমিলৈ নামিল। তাত মুনিগণে পাণ্ডৱসকল কন্দমূল, ফল আদিৰে আদৰিলে আৰু তেওঁলোকক আথেবেথে সুশোভিত আসনত বহুৱালে।

তাত ছয়দিন অতিবাহিতকৰাৰ অন্তত পাণ্ডৱসকলে বায়ুত একদিব্য-সুগন্ধ অনুভৱ কৰিলে। ইতোমধ্যে পাণ্ডৱসকলৰ মাজত এক দিব্য পুষ্প ক'ৰবাৰপৰা পৰিলহি। এই পুষ্প আছিল সহস্ৰ পাপৰিযুক্ত টিকটিকীয়া ৰক্তবৰ্ণ কুমুদপুষ্প। দ্ৰৌপদী এই বিচিত্ৰ পুষ্প হাতত লৈ বাৰে বাৰে চাই ভীমক ক'লে, "এই পুষ্প মই ধৰ্মৰাজক দিম। মোক আন এটি এই পুষ্প আনি দিবানে?"

দ্ৰৌপদীৰ কথা শুনামাত্ৰেই ভীম ওলাই পৰিল। তেওঁ গদা, ধনুৰ আৰু বাণ লৈ সেই দিশলৈ গৈ থাকিল যি দিশৰপৰা বায়ুৰ সৈতে দিব্য-সুগন্ধ ভাহি আহিছিল।

কুলিচৰাইবোৰৰ মাত, ভোমোৰাৰ গুঞ্জনধ্বনি আদিয়ে ভীমৰ মন-প্ৰাণক উল্লসিত কৰি তুলিছিল। বাটত যিবোৰ ওখ ওখ বৃক্ষই বাধাৰ সৃষ্টি কৰিছিল, ভীমে সেইবোৰ বৃক্ষক কাটি পেলাইছিল আৰু মাজে-মধ্যে ভীম-গৰ্জনেৰে অৰণ্যভূমিক কম্পান্বিত কৰি তুলিছিল।

বহু সময়ৰ অন্তত এক বিৰাট স্ফটিক-জলৰ সৰোবৰ দেখা পাই ভীমে স্নান সমাপন কৰি নিজক শীতল কৰিলে।

অকস্মাৎ ভীমৰ কাণত পৰিল অন্য এক সুগম্ভীৰ গৰ্জন। এই গৰ্জন আছিল গন্ধমাদনৰ কদলীক্ষেত্ৰত থকা হনুমানৰ গৰ্জন। হনুমানে ভীমৰ গৰ্জন শুনি বুজি পাইছিল যে সেয়া ভীমৰ কণ্ঠস্বৰ। আৰু ভীমেও পৱনপুত্ৰ হনুমানৰ কণ্ঠস্বৰ অতি উত্তমৰূপেই ঠাৱৰ কৰিব পাৰিলে।

আৰু এই ধ্বনিৰ অনুসৰণ কৰি কৰি ভীমে হনুমানৰ কায় পালেগৈ।



চান্দমামাৰ বাতৰি

হাতীৰ গলবন্ধা!

হাবিয়ে-বননিয়ে অনাই-বনাই থকা হাতিৰ সঠিক নিৰ্ণয় কৰাৰ উপায় কি? সদা-সৰ্বক্ষণ হাতীৰ সৈতে হতালি-বতালি তো সম্ভৱ নহয় হাবি-বনত সিহঁতৰ সৈতে ঘূৰি-ঘূৰি। গতিকে এই কাৰণে পোহনীয়া হাতীৰ গলত সৰুকৈ ৰেডিঅ' থকা গলবন্ধা এটি লগাই দিয়াৰ দিহা কৰা হৈছে—যিটি গলবন্ধাৰ পাৰিভাষিক নাম হ'ল—'ৰেডিঅ' কলাৰ'। এই ৰেডিঅ'ৰ লাবেৰে হাতীক পৰ্য্যবেক্ষণ কৰিব পাৰি। সম্প্ৰতে পশ্চিমবংগৰ জলদাপাড়া অভয়াৰণ্যত হস্তিনী এজনীক অন্য হাতীৰ দলে ফুচুলাই লৈ যোৱাৰ সম্ভেদ পাই এটা হাতীৰ ডিঙিত ৰেডিঅ'-কলাৰ বান্ধি সেই হস্তিনীক অপহৰণকাৰী হাতীৰ দলটোক অনুসৰণ কৰিবলৈ পঠাই তাৰে সেই হস্তিনীক উদ্ধাৰ কৰিব পৰা হৈছিল। যিবিলাক হাতী অকলশৰে ঘূৰি ঘূৰি বনৰ খাদ্য খায়, বিচাৰি উলিয়াবলৈ এই 'ৰেডিঅ'-কলাৰ নামৰ যিবিলাক গলবন্ধাই বনৰক্ষকসকলক দাৰুণ সহায় কৰিছে।

উখোৰা ধান গজা উট!

'বিল্টি হোমলোল'ত ৩৯০০০০ ডলাৰেৰে (আমাৰ প্ৰায় ১·৩৭ কৌটি টকা) এজন বেপাৰীয়ে উট এটা কিনিলে। আৰবৰ ভালেমান ঠাইত উটৰ দৌৰৰ প্ৰতিযোগিতা উচ্চ মানৰ খেলা। ওমানত বেগাই দৌৰিব পৰা বহুতো উট আছে, যিবোৰ উটে খেলাৰ বাহিৰে অন্য কাম নকৰে। সাধাৰণতঃ এটা উটৰ দাম মুঠমাঠ ৮০০ ডলাৰমানহে হয়। অৱশ্যে—২৬০০০০ ডলাৰ দামৰ উটো নথকা নহয়। কিন্তু 'বিল্টি'ৰ দাম হ'ল এক সৰ্বকালীন ৰেকৰ্ড। ইউনাইটেড আৰব আমিৰেটাছৰ এগৰাকী অজ্ঞাতনামা বেপাৰীয়ে বিল্টিক কিনিলে। তেওঁৰ বিশ্বাস, দৌৰৰ বাজীত বিল্টিক হৰুৱাবপৰা জগতত অন্য কোনো উট নাই!

ভাৰতীয় চিত্ৰৰ বিচিত্ৰ কথা!

ছাউদবি অকশ্বন কম্প্যানি' হ'ল লণ্ডনৰ সুপ্ৰসিদ্ধ লিলামী-কম্প্যানি। যোৱা অকট'বাৰ মাহত এই লিলাম কম্প্যানিয়ে ১৫০খন ভাৰতীয় শিল্পী-অংকিত চিত্ৰ লিলামত উঠাইছিল। ভাৰতীয় চিত্ৰকাৰসকলৰ অন্যতম ৰজা ৰবিবৰ্মাৰ (১৮৪৮—১৯০৬) পৰা এম. এফ. হুছেইনলৈকে বহুতৰে চিত্ৰ আছিল এই লিলামত। ৰবিবৰ্মাৰ দহখন চিত্ৰৰ আঠখনেই বিক্ৰীত। তেওঁৰ এখন চিত্ৰ ২২০০০০ টকা মূল্য নিৰ্দ্ধাৰণ কৰা হৈছিল, কিন্তু সেই চিত্ৰখন ১৪১৬২০০ টকাৰে বিক্ৰী হৈছে। তেওঁৰ আন সাতখন চিত্ৰ ১১২০০০০ টকাৰে বিক্ৰী হৈছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ এখন চিত্ৰ ৯১৩০০০ টকাৰে বিক্ৰীত হৈছে। কিন্তু—এম. এফ. হুছেইনৰ কোনো চিত্ৰয়েই বৰ বেছি দাম নোপোৱা হ'ল। এই চিত্ৰসমূহৰ ক্ৰেতা—ঘাইকৈ ভাৰতীয়সকল।

ৰোবোট পুলিছম্যান 'ম্যাক'!

ক্যালিফ'ৰ্নিয়াৰ খান জোন পুলিছ-বিভাগৰ ৰোবোট পুলিছম্যান হ'ল 'অফিছাৰ ম্যাক'। অন্যান্য পুলিছ-অফিছাৰৰ দৰেই এই ৰোবোট পুলিছম্যানেও যোৱা অকট'বাৰ মাহত পুলিছ-বিভাগত কাম কৰিবলৈ আৰম্ভ কৰিলে। অন্যান্য কাম কৰাৰ বাহিৰে 'ম্যাক'-অৰ প্ৰধান কাম হ'ল— নগৰৰ অলিয়ে-গলিয়ে ঘূৰি ঘূৰি অপৰাধীহঁতক কেনেকৈ বাধা দিব পাৰি—তাৰ প্ৰচাৰ।



বেল

ভাৰতৰ বৃক্ষৰাজিৰ মাজত অন্যতম পৱিত্ৰ বৃক্ষ হ'ল—বেল। বেল-বৃক্ষৰ তথা বেল-ফলৰ মহত্ব অপৰিসীম। শিৱপূজাত বেলপাত হ'ল এক অপৰিহাৰ্য্য উপচাৰ। বেলৰ পাত হয় কোমল আৰু পুৰঠ। শিৱ-দলৰ প্ৰাংগণত তথা আশে-কাষে, আৰু ঘৰ ঘৰ উদ্যানতো বেলগছ ওপজে। কেৱল বেলৰ গছেই নহয়, বেলৰ ফলকো পৱিত্ৰ বুলি কোৱা হয়। বেলগছক সমৃদ্ধি আৰু সম্পদৰ চিন বুলিও ভবা হয়। এই কাৰণে বেলক শ্ৰীফল বুলিও অভিহিত কৰা হয়। হিন্দী, বাংলা, অসমীয়া, মৰাঠী ভাষাত 'বেল', গুজৰাটীত 'বিলী', তামিল আৰু মলয়ালমত 'বিল্বং', তেলুগু ভাষাত 'বিল্ব' আৰু 'মাৰেড্ডু' বুলি কোৱা হয়।

চিৰসেউজীয়া বেলগছ দহ মিটাৰলৈকে ওখ হয়। এই বৃক্ষৰ ছাল শকত আৰু কাঁইটীয়া। ঠাৰিবোৰ পোন নহয়, আৰু গাঁঠি থকা। জাৰকালি বেলগছৰ পাত সৰে আৰু বসন্তকালি পুনৰ কুঁহিপাত মেলে।

বেলৰ কোমল সেউজ আৰু বগা বৰণৰ ফুলবোৰ সুগন্ধ ওলায়। বেলৰ খোলা বৰ টান। বেলৰ ভিতৰত থকা শাহ অতি সুখাদ্য। কেঁচা-কোমল বেল চকল-চকলকৈ কাটি চেনিৰে পকাই ৰব্‌-সোৱাদ 'মোৰব্বা' বনোৱা হয়। বেলৰ শাহৰ চৰবৎ অতি পুষ্টিকৰ পানীয়। বেলৰ ফল, পাত, শিপা আদি ঔষধিগুণসম্পন্ন। এই বৃক্ষ সমগ্ৰ ভাৰতত পৰিদৃষ্ট হয়।

আস্তিক

মনসাদেৱীৰ পুত্ৰ হ'ল আস্তিক। জৰৎকাৰু মুনিৰ ওচৰত মনসাদেৱীয়ে পুত্ৰ প্ৰাৰ্থনা কৰিলত মুনিয়ে 'অস্তি' অৰ্থাৎ মোৰ ঔৰসত তোমাৰ সন্তান গৰ্ভজাত আছে—এই বুলি গুচি গৈছিল, গতিকে এই নাম। সৰ্পকুলৰ ওপৰত মনসাদেৱীৰ অধিকাৰ আছিল।

এবাৰ সৰ্পকুল ঘোৰ বিপদত পৰিছিল। অৰ্জুনৰ পৌত্ৰ পৰীক্ষিত এবাৰ চিকাৰলৈ ওলাই মৃগ এটিৰ পিছ খেদি খেদি শমীক মুনিৰ আশ্ৰম পালেগৈ। পৰীক্ষিতে মুনিক সেই মৃগটোৰ সম্পৰ্কে সোধ-পোছ কৰিলে। কিন্তু ধ্যানস্থ মুনিয়ে পৰীক্ষিতৰ প্ৰশ্নৰ কোনো উত্তৰ নিদিলে। এই কথাত ক্ৰুদ্ধ হৈ ৰজা পৰীক্ষিতে তাতেই পৰি থকা মৃত সাপ এডাল ধ্যানস্থ মুনিৰ ডিঙিত আঁৰি দিলে। শমীকমুনিৰ পুত্ৰ শৃঙ্গীয়ে এই দৃশ্য চাই ক্ৰোধিত হৈ ৰজা পৰীক্ষিতলৈ সাত দিনৰ ভিতৰত সৰ্পাঘাত-মৃত্যুৰ অভিশাপ দিলে।

তেতিয়াহে পৰীক্ষিতে উপলব্ধি কৰিলে যে তেওঁ কিমান ভুল কৰিলে। গতিকে — তেওঁ ৰজা পৰীক্ষিতে সাতদিনলৈ অত্যন্ত সুৰক্ষিত থকাৰ বাবে—অৰ্থাৎ সৰ্পাঘাতৰপৰা সাবিবৰ বাবে — এক নিৰাপদ ভৱন সজালে, আৰু সেই ভৱনৰ চাৰিওফালে কঠোৰ-কটকটীয়া পহৰাৰো বন্দৱস্ত কৰিলে। তথাপি সৰ্পৰাজ তক্ষকে নিজক ক্ষুদ্ৰাতিক্ষুদ্ৰ কীটলৈ পৰিৱৰ্তিত কৰি এটি ফলৰ ভিতৰত সোমাই গৈছিল আৰু সেই ভৱনলৈ লৈ অহা হ'ল। এদিন—দুদিনকৈ ছয় দিন ঠিক মতে পাৰ হ'ল; কিন্তু সাত দিনৰ দিনা ৰজা পৰীক্ষিতক সেই ফল খাবলৈ দিয়াৰ বাবে যেতিয়া কটা হ'ল—তেতিয়া সেই কটা ফলৰপৰা ওলাই সৰ্পৰাজ তক্ষকে ৰজা পৰীক্ষিতক খুটিলে, আৰু ৰজা পৰীক্ষিতৰ মৃত্যু হ'ল।

তক্ষকৰ এই স্পৰ্দ্ধালৈ চাই পৰীক্ষিতৰ পুত্ৰ জনমেজয় অগ্নিৱৎ ক্ৰুদ্ধ হৈ সৰ্পবংশক সমূলি নিৰ্মূল কৰিবলৈ প্ৰতিজ্ঞা গ্ৰহণ কৰিলে আৰু তাৰ বাবে সৰ্পযজ্ঞ পাতিলে। মুনিসৱে মন্ত্ৰ পাঠ কৰাত বিভিন্ন ঠাইৰপৰা আহি থাকিল আৰু হোমকুণ্ডৰ ভিতৰলৈ পৰি মৰিবলৈ ধৰিলে। সৰ্পৰাজ তক্ষকে ইন্দ্ৰৰ সিংহাসনৰ তলত আশ্ৰয় ল'লে; কিন্তু ইন্দ্ৰৰে সৈতে সিংহাসন তলত থকা তক্ষকো সেই হোমকুণ্ডৰ পিনে প্ৰধাৱিত হৈ থাকিল।

এথ ঘটনাত দেৱতাসকল ভীত-সন্ত্ৰস্ত হৈ উঠিল। তেওঁলোকে ভীত হৈ মনসাদেৱীৰ কাষ চাপিল আৰু এই বিপদৰপৰা উদ্ধাৰ কৰিবলৈ প্ৰাৰ্থনা কৰিলে। তেতিয়া মনসাদেৱীয়ে পুত্ৰ আস্তিকক সৰ্পযজ্ঞত বাধাৰ সৃষ্টি কৰিবলৈ ক'লে।

আস্তিক জনমেজয়ৰ ওচৰলৈ গ'ল। মুনিপুত্ৰই আপোন প্ৰতিভা তথা বিবেকেৰে জনমেজয়ক আকৰ্ষণ কৰিলে আৰু আস্তিকৰ মিঠা কথাৰে পৰিতুষ্ট ৰজাই আস্তিকক বৰ প্ৰাৰ্থনা কৰিবলৈ ক'লে। আস্তিকে সৰ্পযজ্ঞ বন্ধ কৰাৰ বাবে বৰ প্ৰাৰ্থনা কৰাত জনমেজয়ে সৰ্পযজ্ঞ বন্ধ কৰি দিলে। এইদৰে তক্ষক আৰু শেষ সৰ্প কথমপি লুপ্ত হোৱাৰপৰা ৰক্ষা পৰিছিল।

জানিব লগীয়া

১. 'বন্দেমাতৰম' গানৰ ৰচয়িতা কোন ?
২. পৃথিৱীৰ ক্ষুদ্ৰতম দেশ কোনখন ?
৩. সূৰ্য্যৰ চাৰিওফালে কিমান গ্ৰহ পৰিভ্ৰমণ কৰে ?
৪. ইংল্যাণ্ড আৰু ইউৰোপক বিভক্তকাৰী খালৰ নাম কি ?
৫. ভাৰতৰ জাতীয় ফুল কি ?
৬. 'মিকি মাউছ' আৰু 'ডোনাল্ড ডাক'-ৰ স্ৰষ্টা কোন ?
৭. বিদেশী বস্তুৰ ওপৰত আৰোপিত কৰ-ক কি বুলি কয় ?
৮. আমেৰিকাৰ মুদ্ৰাৰ নাম কি ?
৯. নাৰ্ছৰ জীৱিকাৰ স্থাপক কোন ?
১০. ভাৰতীয় সংসদৰ সভা দুখনৰ নাম কি ?
১১. সূৰ্য্যৰশ্মিৰপৰা পোৱা ভিটামিনৰ নাম কি ?
১২. কোনখন দেশত সৰ্বাধিক সোণ পোৱা যায় ?
১৩. কেনেকুৱা পৰিস্থিতিত বগা পতাকা প্ৰদৰ্শিত হয় ?
১৪. সৌৰমণ্ডলৰ সৰ্বাতোকৈ ডাঙৰ গ্ৰহ কোনটো ?
১৫. কাক 'নাইটিংগ্‌ল্ অৱ্ ইণ্ডিয়া' বুলি কোৱা হয় ?
১৬. জন্তুবিলাকৰ মাজত আটাইতকৈ ওখ জন্তু কি ?
১৭. অ'লিম্পিক ক্ৰীড়া কেইবছৰৰ বাদে বাদে পতা হয় ?

জানক

১. বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়।
২. ৰোমৰ ভেটিকান ছিটি।
৩. পৃথিৱীৰে সৈতে নও।
৪. ইংলিছ চ্যানেল।
৫. পদ্ম।
৬. ওৱাল্ট ডিজনী।
৭. কাস্টমছ্ ডিউটি।
৮. ডলাৰ।
৯. ফ্লোৰেন্স নাইটিংগ্‌ল্।
১০. লোকসভা, ৰাজ্যসভা।
১১. ভিটামিন—ডি।
১২. দক্ষিণ আফ্ৰিকা।
১৩. সন্ধিৰ বাবে।
১৪. বৃহস্পতি গ্ৰহ।
১৫. সৰোজিনী নাইডু।
১৬. জিৰাফ।
১৭. চাৰি বছৰত এবাৰ।

পঁচিছ পইচীয়া জোতা

চন্দ্ৰ আছিল চান্দপুৰীয়া মানুহ। চান্দপুৰীয়া ৰাইজক আন গাঁৱৰ ৰাইজে কিয় যে হোল-গোঁজ বুলি ভাবে, জনা নাযায়। যি কি নহওক—চান্দপুৰীয়া চন্দ্ৰ হাটলৈ গৈ আছিল কিছুখিনি বাচন-বৰ্তন কিনিবলৈ। খোজ কাঢ়োঁতে অলপ টান পাইছিল, কিয়নো চন্দ্ৰৰ জোতা এপাটৰ আগছোৱা প্ৰায় নাই বুলিয়েই বুলিব পাৰি। হাটলৈ যোৱা ৰাটত ভালেমানে পুৰণিদিনীয়া মন্দিৰ আছিল। মন্দিৰবপৰা অলপমান আঁতৰত এখন দোকানত চন্দ্ৰই ঢেৰ জোতা দেখা পালে। এচটা তক্তাত এই কথা আছিল : জোতা এযোৰত পঁচিছ পইচা। চন্দ্ৰই ভাবিলে : আজিৰ দিনতো—জোতা এযোৰ ইমান সস্তা! গতিকে—ইয়াৰেপৰাই জোতা এযোৰ কিনি লোৱা যাওক। এযোৰ জোতা আজিৰ দিনত বৰ কমেও বিছ টকা হ'ব লাগে—সিহঁতত মাত্ৰ পঁচিছ পইচা—আৰুনো কি লাগিছে? গতিকে চন্দ্ৰই ভাল চাই জোতা এযোৰ বাছি উলিয়াই ভৰিত পিন্ধি চালে—একেবাৰে খাঁজে-খোপে খাই পৰিছে।

চন্দ্ৰই জেপৰপৰা পঁচিছ পইচা উলিয়াই লৈ দোকানীক দিবলৈ লওঁতে দোকানীয়ে চন্দ্ৰৰ ভৰিৰপৰা মূৰলৈকে চাই লৈ ক'লে, "ইযোৰ জোতা আপোনাৰ হয়নে? এইযোৰ দেখোন কাপোৰৰ দোকানৰ মালিক পৰাশৰ ডাঙৰীয়াৰ জোতাযোৰ।"

কিমানতে পৰাশৰ ডাঙৰীয়া তালৈ আহিল; আৰু তেওঁৰ জোতা আনৰ ভৰিত দেখা পাই দোকানী উদয়ক ক'লে, "কিহে উদয়, দিনে-পোহৰে জোতা চুৰি হৈছে আৰু তুমি বহি বহি চাই আছাহেনে?"

চন্দ্ৰই ক'লে, "ডাঙৰীয়া মই চোৰ নহওঁ। এই তক্তাচটাত কি লিখা আছে চাওক। লিখা আছে—জোতা এযোৰত পঁচিছ পইচা। মই অধিক পঢ়া-লিখা নজনাতহে মোৰ এই বিপত্তি হ'ল।"

পৰাশৰ ডাঙৰীয়াই ক'লে, "ওঁ, ওঁ, অধিক পঢ়া-লিখা নোহোৱাৰে ভুল-ভাল হ'ব পাৰে; কিন্তু তেহেবুলি—পঁচিছ পইচীয়া জোতা—বৰ আজাইৰ কথা নহয়নে বাৰু?"



ঘৈণীয়ে মাছ খায় বোন্দাৰ মৰণ

কোমল আৰু সুকুমাৰী পৰিবাৰিক জীৱনত সুখী। যি খায় যি পিন্ধে—যদি কোনোবা-কুমুবিয়ে নিন্দেও—তালৈ মন নকৰে, দুখ-বেজাৰেৰে অন্তৰ ক'লা নকৰে, হাঁহিৰে সকলো খেদ উৰুৱাই দিয়ে।

কিন্তু অকাৰণ হিংস্ৰতা কিছুমান মানুহৰ স্বভাৱ। চুবুৰীয়া সুনয়নীও এই হিংস্ৰতাৰ খেতি ভালেকৈয়েই কৰিছিল। এদিন সুনয়নীয়ে সুকুমাৰীক কৈছিল যে—সুকুমাৰীৰ পতিয়ে নিশ্চয় সুকুমাৰীক ভাল নাপায়, কিয়নো সুকুমাৰীক গহনা-টহনা বা ইটো-সিটো কিনি দিয়া আজিপৰ্যন্ত তাই বা আন কোনোবাজনীয়েও ভুলে-পাহৰণেও দেখা নাই।

সুনয়নীয়ে সুকুমাৰীক আৰু কৈছিল, "কোমল তোমাৰমান ধুনীয়াৰো ধুনীয়া-জনীৰ যুইগ্যনে? তোমাৰমান ৰূপৱতীয়ে পতি হিচাপে বৰ ডাঙৰ নহ'লেও—সৰুসুৰা জমিদাৰকে পাব লাগিছিল।"

সুনয়নীৰ কথা শুনি সুকুমাৰীৰো ইমানদিনীয়া সুখত যেনিবা কিঞ্চিত ঘুণেহে ধৰিলে। কিয়নো সুনয়নীৰ কথাৰ মাজত লুকাই থকা অকাৰণ হিংস্ৰতাক আৱিষ্কাৰ কৰিব পৰা বুদ্ধি সুকুমাৰীৰ একেবাৰেই নাছিল।

যি কি নহওক — ৰাতিৰ পৰতে যেতিয়া সুকুমাৰীয়ে সুনয়নীৰ কথাখিনিকে একমনে ভাবি আছিল, তেতিয়া কোমলে নাকৰ কাঠ-কঠিন ঘোৰ্ঘোৰণিৰে সুখৰে টোপনিয়াই আছিল।

নাকৰ ঘোৰ্ঘোৰণি কোমলৰ আগেও আছিল, এতিয়াও আছে। কিয় কোৱা

নয়নতৰা দত্ত



নাধায়, আজি সুকুমাৰীৰ বৰ খং উঠিল কোমলৰ নাকৰ ঘোৰ্ঘোৰনি শুনি, আৰু তাই কোমলক টোপনিৰপৰা জগাই তাক ক'লে, "এইবোৰ লেত্তেৰা ঘোৰ্ঘোৰণি বন্ধ কৰা, এই বিকট শব্দত মই টোপনিয়াব পৰা নাই। যদি ঘোৰ্ঘোৰণি বন্ধ নকৰা —মই ঘৰ এৰি গুচি যাম।"

ঘৈণীয়েকৰ কথাত কোমল কঠিন হৈ উঠি ক'লে, "তিৰোতা এজনীয়ে ইমান ৰাতি ক'লৈনো যাবা? বৰঞ্চ —ময়েই যাওঁ।" এই বুলি কৈয়েই কোমল উঠি থিয় হ'ল আৰু পাছ মুহূৰ্ততে ওলাই গ'ল।

সুকুমাৰীৰ এনেকুৱা খোঁচমৰা খেচ-খেচীয়া কথাত কোমলৰ হঠাৎ মন কোমল কঠিন হৈ উঠিছিল। সেইহে, কোমল বাস্তৱিকতে আন্ধাৰে-মুন্ধাৰে ওলাই গৈ— গৈ গৈ—এসময়ত জংগল পালেগৈ।

জংগলত সেই সময়ত নিকপ-নিখচ আউসীৰ অন্ধকাৰ, কিন্তু সেই অন্ধকাৰৰ মাজত এজোপা গছৰ তলত জোঁৰৰ পোহৰ দেখা পাই কোমল সেই পিনলৈ আগুৱাই গৈ থাকিল।

গৈ গৈ যেতিয়া সেই ঠাই পালেগৈ, কোমলে তাত চাৰিটা ভূতক গীত গাই গাই নাচি থকা দেখা পালে।

পোনেতে—ভূতবিলাকক দেখিয়েই কোমলে কুমলি ধুঁৱলি-কুঁৱলি দেখিছিল; কিন্তু পাছমুহূৰ্ততে ভাবিলে: ভূতৰ হাতত মৰিলেও মৰণ ঘৈণীৰ হাততো নাই সাৰণ, তেনেহ'লেনো ভূতলৈ কিহৰ চিন্তন?

ভূতবিলাকৰ এইহেন আমোদেৰে কোমলে আমেদ নাপালে। কোমলে ভাবিলে: ভূতে ভূতৰ কাম কৰক, মই মোৰ কাম কৰিম। সৌ বড়জোপাৰ গুৰিত মই শোওঁগৈ, ৰাতি এতিয়াও ঢেৰ, টোপনি মাৰোঁগৈ।

আৰু শুই— টোপনিত পৰাৰ লগে লগে ই কোমলৰ যিহে নাকৰ ঘোৰ্ঘোৰ আৰম্ভ হ'ল, ভূতবিলাকে নাচন-গাৱন বন্ধ কৰি ঘোৰ্ঘোৰণিৰ মজাত মজিল।

কোমলৰ নাকৰ ঘোৰ্ঘোৰণি যিমানেই বেছি হয়, ভূতবিলাকৰ আমোদ সিমানেই বাঢ়ে, সিহঁতকেইটাই হিঁ হিঁ হাঁ হাঁ

হোঁঃ হোঁঃ কৈ হাঁহি হাঁহি পেটত খামুচি ধৰি বাগৰি পৰে।

আৰু এসময়ত চাৰিটা চিয়া ভূতৰ চিয়ঁৰ-মৰা হাঁহি শুনি টোপনিত জাহ যোৱা কোমলে এক বিকট ঘোৰ্ঘোৰণি তুলি ধৰফৰ কৰি জাগি উঠিল, আৰু ভূতবিলাকে একলগে উৎকটভাবে হাঁহি উঠিল।

চা ৰি টা ভূতৰ চিয়া-চৰ্দাৰটোৱে কোমলক ক'লে, "শুনা, তোমাৰ নাকৰ ঘোৰ্ঘোৰণিৰে আমি বৰ মজা পালোঁ। অহা আউদীৰ ৰাতিও আমাৰ ইয়ালৈ আহি আমাক আমোদ দিবাহি, এইবাৰৰ আমোদৰ বাবে— এয়া লোৱা —ভূত-পুৰস্কাৰ।" এই বুলি কৈ, ভূতৰ চৰ্দাৰে কোমলৰ মূৰত ক'লা টুপি এটা পিন্ধাই দিলে, আৰু চকুৰ পচাৰতে ভূতবিলাক তাৰপৰা নোহোৱা হৈ দিলে।

তিমানতে ঘৈণীয়েকৰ প্ৰতি কোমল কিছু কুমলি আহিছিল। কোমলে পুনৰ ঘৰলৈ বুলি খোজ বঢ়ালে।

ঘৰ পাই কোমলে হাঁহি হাঁহি তাৰ ৰাতিৰ নাটকৰ কথা ক'লে, আৰু ক'লে, "কিন্তু—এটা কথা মই বুজা নাই যে—তুমি এতিয়া মোৰ সম্পৰ্কে যি ভাবিছা, মই যে কেনেকৈ তোমাৰ মনৰ ভাবনাৰ কথা বুজি পাইছোঁ—অতি ফটফটীয়াকৈ বুজি পাইছোঁ।"



সুকুমাৰীয়ে কিছু সময়লৈ ভাবি-চিন্তি থাকিল, আৰু তাৰ পাছত ক'লে, "তোমাক ভূতৰ চৰ্দাৰে যে পুৰস্কাৰ দিলে —সেই পুৰস্কাৰতে — টুপিটোতে ৰহস্য আছে বুলি মোৰ বিশ্বাস।—এটা কাম কৰা, তুমি আমাৰ দেশৰ ৰজাক এই টুপিটো দিয়াগৈ, ৰজাই তেওঁৰ শত্ৰু-বিলাকৰ মনৰ কথা কাক-পক্ষীকো নজনোৱাকৈ জানিব পাৰিব, আৰু শত্ৰুৰ বিৰুদ্ধে যথাযথ ব্যৱস্থাও ল'ব পাৰিব।"

"বাঃ! চাব্বাইচ! বঢ়িয়া বুদ্ধি দিলা, সুকুমাৰী। তোমাৰ এই ৰাজভক্তিৰ কথা মহাৰাজকো মই ক'ম।" কোমলে ক'লে।

আৰু কোমলে তেতিয়াই টুপিটো পুনৰ মূৰত পিন্ধি লৈ খৰখুজীয়া হৈ

ৰাজধানীলৈ বুলি ৰাওনা কৰিলে।

কোমলৰ কথা মতে মহাৰাজে টুপিটো পিন্ধিলে, আৰু প্ৰকৃতপক্ষেই টুপি পিন্ধামাত্ৰকে আনৰ মনৰ কথাৰ ভেদ পালে। মহাৰাজে কোমলৰ আৰু কোমলৰ পত্নী সুকুমাৰীৰো ভৰপূৰ শলাগ ল'লে, আৰু মহাৰাজে কোমলক জোখে-জোখৰে পুৰস্কৃতও কৰিলে।

ৰাজধানীৰপৰা পুনৰ ঘৰ পাই কোমলে সুকুমাৰীৰ আগত পুৰস্কাৰৰ ধনৰ মোনাটো খুলি—এদ'ম সোণৰ মোহৰ চাই বিস্মিত হ'ল আৰু সুকুমাৰীক সুধিলে, "ইমান ধনেৰে—কি কৰিম—পৰামৰ্শ দিয়াচোন।"

সুকুমাৰীয়ে ক'লে, "বেহা-বেপাৰ কৰাটোৱেই ভাল হ'ব। দিনৰ পাছত দিন যি শ্ৰম কৰিব, তাতে উপাৰ্জনো হ'ব, আৰু সুনিদ্ৰাও হ'ব, আৰু নাকৰ ঘোৰ্ঘোৰণিও নোহোৱা হ'ব।"

দুয়োজনেই নিৰ্মলভাবে হাঁহি উঠিল। আৰু কোমলে সুকুমাৰীৰ কথামতেই পাছ দিনাৰেপৰাই বেহা-বেপাৰত ধৰিলে।

এই ঘটনাৱলী ঘটাৰ সময়ছোৱাত সুনয়নী তাইৰ মাকৰ ঘৰত আছিলগৈ। প্ৰায় এমাহমানৰ অন্তত পুনৰ পতিৰ ঘৰলৈ ঘূৰি সুকুমাৰীৰ সুখ-সুখ অৱস্থালৈ চাই তাইৰ ভুৰুযুৰি কোঁচ খাই পৰিল।

সুনয়নীয়ে নানান পটলে সুধি-পুছি অলপ-অলপকৈ আউসীৰ ভূতৰ কথাখিনিও জানি ল'ব পাৰিলে আৰু তাৰ পাছত গিৰিয়েক ভোদলাক কোমলৰ সৌভাগ্যৰ সাৰকথা কোৱাৰ অন্তত ক'লে, "শুনা, আজিয়েই আউসীৰ ৰাতি। তুমিও তালৈ যোৱা, আৰু নকলীকৈ হ'লেও নাকৰ ঘোৰ্ঘোৰণিৰে হাবি কঁপাই টোপনিৰ ভাও জোৰাগৈ। তা'পাছত ভূতবিলাক যদি আহে — আহিবই যেন পাওঁ— আৰু সিহঁতে যদি তোমাৰ ঘোৰ্ঘোৰণিতো ভাল পাই পুৰস্কাৰ দিবলৈ লয়—তুমি অদিশ্য হোৱাৰ টুপি এটা খুজি ল'বা। তা'পাছত —সেই অদিশ্য হোৱাৰ টুপি পিন্ধি ৰাজধনীলৈ গৈ—অদিশ্য হৈ ৰজাৰ ধন ভঁৰালত সোমাই যি ধন-সোণ তাত আছে— সেইখিনি কোঁচাই লৈ—তা'পাছত পুনৰ

ৰজাৰ শয়নকক্ষলৈ সোমাই ৰাণীৰ আ-অলংকাৰখিনিও লৈ — তেহে তুমি ঘৰ সোমাবাহি। নহ'লে বাঢ়নি আছেই।"

শুনি ভোদলাই যদিও ভেবুৰা লাগিল, তথাপি, এইবোৰ নটখটীয়া কামৰ বলিশালত ডিঙি নাপাতিবৰ মনেৰে এটা শেষ চেষ্টা দিলে, ক'লে, "মই ঘোৰ্ঘোৰাম কেনেকৈ? সেইচব মই ন'ৰিম।"

সুনয়নীয়ে দপ্ কৈ জ্বলি উঠি ক'লে, "পাৰিবি, মানুহৰ অসাইধ্য একো নাই।"

ভোদলাই বাধ্যত পৰি জংগলৈ গ'ল আৰু সুনয়নীয়ে কোৱা মতেই কাম কৰিলে। কিন্তু গছৰ তলত জোঁৰৰ পোহৰত ভূতবিলাকক দেখা মাত্ৰেই ডৰত ডেডাউৰি পাৰি উঠিলে।

পাছ মুহূৰ্তত ভূত চাৰিটাই ভোদলাক চাৰিওফালৰপৰাই আগুৰি ধৰিলে আৰু ক'লে,"বোলো—ঐ নিকম্মাৰ পো অকম্মা, ইয়ালৈ আহি আমাৰ আমোদত চেঁচা-পানী ঢালিলানো কেলে' ডেডাউৰি পাৰি?"

ভোদলাই নিখুঁত ভোদাইকাইটিৰ দৰে ক'লে, "সেয়া ডেডাউৰি নাছিল, আছিল মোৰ নাকৰ ঘোৰ্ঘোৰি।"

এই কথা শুনামাত্ৰেই ভূতবিলাক হাঁহি উঠিল। হাঁহি হাঁহি সিহঁতৰ পেটৰ বিষ উঠিল। তাৰ পাছত সিহঁতৰ চিয়াঁ-চৰ্দাৰটোৱে ভোদলাক ক'লে, তুমি বৰ হঁহুৱাব পাৰা হে: কিন্তু কোৱাচোঁ



আউঁসীত ইয়ালে' আহিলাবা কেলে'?"

ভোদলাই কিঞ্চিত সাহসৰে, ক'লে, "তোমালোকৰপৰা এক দয়া পাবলে'—অদৃশ্য হ'বপৰা টুপি এটা মোক লাগে।"

"অঃ, এইকণ কথা—!" এই বুলি কৈয়েই চিয়াঁ-চৰ্দাৰে তাৰ বিৰাট দীঘলীয়া হাতখন মেলি দি শূন্যৰেপৰাই বগা টুপি এটা আনি ভোদলাৰ মূৰত পিন্ধাই দিলে আৰু ক'লে, "টুপি—অদৃশ্যটুপি পালা। অহা আউঁসীতো ইয়ালৈ' আহিবা আৰু আমাক হঁহুৱাই মজা দিবা কিন্তুক।"

ভূতৰ চৰ্দাৰৰ কথাত ভোদলাই 'হয়' কৰিলে, আৰু তেতিয়াই টুপিটোৰ সৈতে ৰাজধানীলৈ বুলি খোজ ল'লে।

ৰাজধানী পাই—অদৃশ্য টুপিৰ মহিমাৰে

ভোদলাই ৰজাৰ ধন-ভঁৰালত সোমাই ধন-সোণ যিমান পালে যিমান পাৰিলে মোনা এটাত ভৰাই ল'লে আৰু তাৰ পাছত অদৃশ্যভাবেই গৈ গৈ এখোজ-দুখোজকৈ ৰজাৰ শয়ন কক্ষ পালেগৈ।

ৰজাৰ শয়নকক্ষত ৰজা আৰু ৰাণী বেলেগ বেলেগ পালেঙত শুই আছিল, আৰু ৰাণীয় তেওঁৰ আ-অলংকাৰবোৰ সোলেকাই কক্ষৰ সৰু মেজ এখনৰ ওপৰত থৈ দিছিল। ভোদলাই ৰাণীৰ অলংকাৰখিনি মোনাত ভৰাই ল'লে আৰু তাৰ পাছত ভাবিলে—নয়নীয়ে ৰাণীৰ অলংকাৰ পিন্ধিব, আৰু মইহেনে এনেকৈ ভোদাইকইটো হৈ থাকিম? গতিকে—সৌখন মেজৰ ওপৰত থকা ৰজাৰ মকুটখনো ল'ৱেঁই। সি ৰজাৰ মুকুটখন মূৰত পিন্ধি ল'লে।

কিন্তু পাছত—মুকুটপিন্ধা অভ্যাস নথাকাত মূৰটো বৰ গধূৰ হৈ পৰা যেন লগাত মূৰৰপৰা মুকুটখন আনি হাতত ওলোমাই ল'লে আৰু তেতিয়া ৰাজ-প্ৰাসাদৰ সিংহদুৱাৰেদি গৈ থাকোঁতে হাতত ৰজাৰ মুকুট দেখা পাই প্ৰধান প্ৰহৰীয়ে চিয়ঁৰি দিলে, "আৰে—আৰে! তোৰ ইমানেই সাহস হ'লনে যে—মহাৰাজৰ মকুট চুৰি কৰি লৈ যাবি?" পৰীয়াই তাক পাকৰাও কৰি লৈ গ'ল।

কিন্তু ভোদলাই যেতিয়া ভয়ৰ কোবত অচেতন হৈ বাগৰি পৰোঁ পৰোঁ হ'ল—তেতিয়া ৰজাৰ মনত সন্দেহ হ'ল যে এই ভয়াতুৰটোৱে ইমান সাহসৰ কাম—ৰজাৰ শয়নকক্ষৰপৰা — ধন-ভঁৰালৰপৰা চুৰি কৰাৰ কাম—কৰিব নোৱাৰে; নিশ্চয় এই কামৰ আঁৰত আন কোনোবা-কুবুদ্ধি আছে।

তেতিয়া মহাৰাজে কোমলে দিয়া টুপি মূৰত পিন্ধিলে আৰু লগে লগে সকলো কথা জানি, প্ৰহৰী এজনক পঠাই সুনয়নীক ধৰি আনি যথোচিত শাস্তি বিহিলে আৰু ক'লে, "ইয়াকে বোলে—ঘৈণীয়ে মাছ খায়, বোন্দাৰ মৰণ।"



কাৰণ

শিৱপুৰী গাঁৱৰ ৰঘুনাথ ডাঙৰীয়া আছিল, গাঁৱৰ আন দুই-তিনি ধনিকতকৈও ধনিক। তেওঁৰ যিমান আছে, খাওঁতা সিমান নাই।

ৰঘুনাথ ডাঙৰীয়াৰ একমাত্ৰ ছোৱালী শ্ৰীলেখাজনী যেতিয়া ডাঙৰ-দীঘল হ'ল, তেতিয়া তেওঁ তাইৰ কাৰণে দৰা বিচৰাত লাগিল। তেওঁৰ মনত ইচ্ছা—শাস্ত্ৰ আৰু কাব্য অধ্যয়নকাৰী কোনোবা যুৱকৰ সৈতে শ্ৰীলেখাৰ যোৰা পাতিব, আৰু জোঁৱাইক ঘৰ-জোঁৱাই হিচাপে ল'ব।

বহু বিচাৰি বিচাৰি-খেচাৰি তেনেকুৱা দুই-তিনিজনক পালেও, কিন্তু কেনা লাগিল সেই 'ঘৰ-জোঁৱাই' হোৱাৰ কথাত।

এই পৰিস্থিতিৰ মাজতে এদিন শ্ৰীলেখাই তাইৰ মকৰ সৈতে এঠাইত এথন বিয়া খাবলৈ আহিল, আৰু তাত শ্ৰীকান্ত নামৰ যুৱক এজনৰ সৈতে চিনাকি হ'ল। শ্ৰীকান্ত কোনো ধনিকৰ ল'ৰা নাছিল, কিন্তু যথেষ্ট পাণ্ডিত্য আছিল।

কথাটো শ্ৰীলেখাৰ মাকেও জানিলে। আৰু সেইহে, তেওঁ এছেগত শ্ৰীকান্তক অকলশৰে পাই সুধিলে যে তাৰ অধ্যয়নৰ অন্ত জীৱিকাৰ বাবে সি কি কৰিব বুলি ভাবিছে?

শ্ৰীকান্তই ক'লে, "আমাৰ দেউতাই দুই হালিচামাত্ৰ মাটি এৰি থৈ গ'ল। গতিকে — উপাৰ্জনৰ বাট লাগেই। চিনাকিসকলে মোক এখন টোল পাতিবলৈহে পৰামৰ্শ দিছে আৰু মহয়ো তাকেই আৰম্ভ কৰিম বুলি ভাবিছোঁ।"

শ্ৰীলেখাৰ মাকে সকৈকে হুমুনিয়াহ এটি কাঢ়িলে আৰু ক'লে, "দূৰ সম্পৰ্কীয়

বিমল বৰ্মন

হ'লেও—তোমালোক যে আমাৰ আত্মীয় —সেই কথা নিশ্চ য়জানা। আৰু— নিকটৰ হওক বা দূৰৰে—আত্মীয় হ'ল আত্মীয়। আমাৰ তেওঁ যদি মোৰ কথা মানি লয়—তোমাক জোঁৱাই হিচাপে পোৱাৰ মোৰ বৰ মন। তুমি আৰাম শ্ৰীলেখাক নিশ্চয় দেখিছাই।"

শ্ৰীকান্তই হাঁহিৰে ক'লে, "ওঁ, শ্ৰীলেখাৰ সৈতে চিনাকি হ'লো। শ্ৰীলেখাৰ পিতাদেউ মহাধনরান ব্যক্তি। কিন্তু—যি শুনিছোঁ তেওঁক ঘৰ-জোঁৱাইহে লাগে।"

তাৰ পাছত—প্ৰায় দুমাহৰ অন্তত—মাক-জীয়েকৰ প্ৰবল ইচ্ছাৰ ওচৰত সেও হৈ ৰঘুনাথ ডাঙৰীয়াই শ্ৰীলেখাৰ বিয়াখন শ্ৰীকান্তৰ সৈতেই পাতিলে। কিন্তু তেওঁ মনত যথেষ্ট ক্ষোভ থাকি গ'ল শ্ৰীকান্ত ঘৰ-জোঁৱাই নোহোৱাত। তেওঁ ভিতৰি ভিতৰি জ্বলি থাকিল। তেওঁ কিবাপ্ৰকাৰেও জোঁৱায়েকক অপমান কৰি কিঞ্চিত শাস্তি পোৱাৰ বাবে উপায় চিন্তি থাকিল।

বিয়া হোৱাৰ ছমাহমানৰ অন্তত শ্ৰীকান্তই শ্ৰীলেখাক লৈ শহুৰৰ ঘৰলৈ আহিল। এদিন গধূলিপৰতে কিছুমানে শিৱদ'লৰ মণ্ডপত বহি মেল মাৰি থাকোঁতে শ্ৰীকান্তও তালৈ আহিল। ৰঘুনাথ ডাঙৰীয়াও তাতেই আছিল।

ৰঘুনাথ ডাঙৰীয়াই তাত থকা সকলৰ সৈতে নিজৰ জোঁৱায়েকক চিনাকি কৰাই দিলে আৰু ক'লে "সকলোটিয়েই কয়, মোৰ জোঁৱাই অতি বিদ্বান্, আৰু বিবেকি। কথাটোময়ো—হওঁতে—নজনা নহয়। পিছে—আপোনালোকৰ সমুখতে



কথাটো পদে-প্ৰমাণে সাব্যস্ত হওক—এয়ে মোৰ ইচ্ছা।" এই বুলি কৈ, শ্ৰীকান্তই চাই তেওঁ ক'লে, "শ্ৰীকান্ত, মই তোমাক কেইটিমান প্ৰশ্ন কৰিম, সঠিককৈ উত্তৰ দিবা। কো ৱা চো ন — বগলিবোৰে জাকপাতি আকাশ পথেদি উৰি উৰি যাওঁতে মধুৰ স্বৰেৰে চিঁয়ৰে কিয় ?"

"এয়া প্ৰকৃতিৰ দান।' শ্ৰীকান্তই ক'লে।

"নিম আৰু তেতেলী বসন্তঋতুত পল্লৱিত হয়। ইয়াৰ কাৰণ কি ?" ৰঘুনাথ ডাঙৰীয়াই সুধিলে। "ই-ও প্ৰাকৃতিক বিষয়।" শ্ৰীকান্তই পুনৰ ক'লে।

"বাটৰ দুয়ো কাষত যে-গছবোৰ থাকে —সেইবোৰ গছৰ গুৰিত সাধাৰণতে ডাঙৰ ডাঙৰ টেমুনাৰ দৰে দেখা যায়। তাৰ কাৰণ কি ?" ৰঘুনাথে প্ৰশ্ন কৰিলে।

"এই টেমুনাও প্ৰাকৃতিক কাৰণেই হয়। শ্ৰীকান্তই লগে লগে উত্তৰ দিলে।

শ্ৰীকান্তৰ উত্তৰ শুনি ৰঘুনাথ ডাঙৰীয়াই পুতৌ-হাঁহনে হাঁহিলে আৰু ক'লে, "আনকি একেবাৰে হালোৱা-জালোৱায়ো —একেবাৰে বিদ্যাহীনেও মোৰ প্ৰশ্নৰ সঠিক উত্তৰ দিব পাৰিলেহেঁতেন। কিন্তু কথা আচৰিতেই যে — তুমি ইমান বিদ্যাৱন্ত হোৱা সত্তেও মোৰ প্ৰশ্নৰ সঠিক উত্তৰ দিব নোৱাৰিলা।—বগলিৰ মধুৰ স্বৰৰ ব্যাখ্যা হ'ল—সিহঁতৰ দীঘল ডিঙি। নিম আৰু তেঁতেলীৰ ব্যাখ্যা হ'ল—দীঘল শিপা। আৰু গছৰ টেমুনাৰ ব্যাখ্যা হ'ল পশুবোৰে সেই গছৰ টেমুনাত সিহঁতৰ শিং বা গা ঘঁহায়।"

তেতিয়া শ্ৰীকান্তই ক'লে, "ভেকুলীয়ে যে টোৰটোৰায় সিহঁতৰ দীঘলডিঙীয়া বুলিহেনে ? বাঁহৰ কুঁহিপাতো বসন্তত ওলায়—সিহঁতৰ দীঘল শিপাৰ কাৰণে। আৰু আপোনা ডিঙিত যে টেমুনা আছে —পশুবিলাকে শিং ঘঁহাৰৰ কাৰণেনে ?"

শ্ৰীকান্তৰ কথা শুনি সকলোটিয়েই হোহোৱাই হাঁহি থাকিল আৰু ৰঘুনাথ ডাঙৰীয়া ভেবা লাগি তলমূৰ হৈ থাকিল।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব।

S.G. SESHAGIRI

S.G. SESHAGIRI

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৬ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৬ চনৰ অকটʼবাৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

অনিবাৰ্য্য কাৰণত এইবাৰৰ পুৰস্কাৰ স্থগিত থাকিল।

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৭২.০০ টকা মাহেৰান

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras - 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exlusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :

অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্রেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 129.00 ● উৰাজাহাজ-যোগে 276.00

ফ্রান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 135.00 ● উৰাজাহাজ-যোগে 276.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :

চাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Apsara®

অপ্সৰা নন-ডাষ্ট ইৰেজাৰে পেঞ্চিলৰ যি কোনো ভুল আদি ইমান চাফ-চিকুণকৈ নাইকিয়া কৰে যে একো গমেই পোৱা নাযায়। কোনো চিন তাত বৈ নাযায়, অকণো লেতেৰাও নহয়।

NON-DUST
ERASER

অপ্সৰা নন-ডাষ্ট ইৰেজাৰ, কিতাপ-বহী চাফ-চিকুণকৈ ৰখাৰ বাবে অতিকৈ প্ৰয়োজনীয়।

হিন্দুস্তান পেঞ্চিল্‌চ লিমিটেডৰ এবিধ উৎকৃষ্ট উৎপাদন

everest/96/HPL/94 ass